বিষয়ৰ বৰ্ণনা পোৱা যায়। উদাহৰণ স্বৰূপে যেতিয়া এজন বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ লোক শুই থাকে বা বহি থাকে তেতিয়া কনিষ্ঠজনে দুয়োক্ষেত্ৰতে সন্মান দেখুৱাই একে সমান আসনত নবহে বা নুশুৱেও। আকৌ যেতিয়া কোনো এজন বয়সত সৰু ব্যক্তিৰ আগত এজন জ্যেষ্ঠ ব্যক্তিৰ আগমন ঘটে কনিষ্ঠজনে লগে লগে থিয় হৈ তেওঁক সন্মান প্ৰদৰ্শন কৰিব লাগে।[১] বয়োবৃদ্ধ বা জ্ঞানবৃদ্ধ জনৰ প্ৰৱেশত কনিষ্ঠজনৰ উৎকণ্ঠা জনিত ভয়ে শৰীৰত যি ক্ৰিয়া কৰে থিয় হ'লে আৰু প্ৰণাম কৰিলে তাৰ উপশম ঘটে।[২] থিয় হৈ বৃদ্ধ আৰু জ্ঞানীজনক প্ৰণাম কৰা আৰু সেৱা শুশ্ৰূষা কৰা কাৰ্য্যই কনিষ্ঠজনৰ বিদ্যা, যশস্যা আৰু শক্তি বৃদ্ধি কৰে।[৩] বৃদ্ধজনক প্ৰণাম কৰি প্ৰণাম কৰোঁতাজনে নিজৰ নাম আৰু 'আপোনাক মই প্ৰণাম কৰিছো' বুলি ক'ব লাগে।[৪] কনিষ্ঠজনৰ এনে কাৰ্য্যত বৃদ্ধজনে তেওঁক দীৰ্ঘায়ু হোৱাৰ আৰ্শীবাদ দিব। যিজনে এনেদৰে সন্মান প্ৰদৰ্শন কৰোতাজনক আৰ্শীবাদ দি তেওঁৰ দীৰ্ঘজীৱনৰ কামনা কৰিব নাজানে তেওঁক সন্মান জনোৱা উচিত নহয় বুলি কোৱা হৈছে।[৫] দুজন মানুহ কোনো ঠাইত লগ হ'লে ইজনে সিজনৰ কুশল মঙ্গলাদি সুধিব, তেওঁ বয়সত সৰুৱেই হওঁক বা ডাঙৰেই হওঁক তেওঁক প্ৰণাম জনাব। অচিনাকি জনক সততে নাম ধৰি নামাতি 'ভো' অৰ্থবা 'ভৱৎ' (আপুনি) শব্দ প্ৰয়োগ কৰি মাতবোল কৰিব। পৰস্ত্ৰীৰ লগত কথা বতৰা পতাৰ সময়ত 'ভৱতি', 'সুভগা', 'ভগিনী' আদি শব্দ শব্দ প্ৰয়োগ কৰিব।[৬] ঘৰলৈ অহা মামা, খুড়া, শহুৰ আদি ব্যক্তিৰ আগমনক যথাযোগ্য সন্মান দেখুৱাব। একে ধৰণৰ সন্মান মাহী, মামী, শাহু, পেহী আদিৰ প্ৰতিও দেখুৱাব লাগে। তেওঁলোক গুৰুপত্নীৰ দৰেই প্ৰণামৰ যোগ্য।[৭] কিন্তু এই কথাত বিশেষ গুৰুত্ব দিয়া হৈছে যে এই সকলো ব্যক্তিৰ উৰ্দ্ধত হ'ল নিজৰ মাতৃ।[৮] তেজৰ সম্পৰ্ক নথকা ওচৰ চুবুৰীয়া আৰু গাঁওবাসীৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শনৰ কৰা মনুৱে উল্লেখ কৰি গৈছে।[৯] ন্যায়োপৰ্জিত ধন সম্পত্তিতকৈও যে নিজৰ আত্মীয়-কুটুম্ব শ্ৰেষ্ঠ সেই কথাও মনুৱে উল্লেখ কৰি থৈ গৈছে।[১০] গুণীজন আৰু বয়সত জ্যেষ্ঠজন যে সকলোৰে সন্মানৰ পাত্ৰ সেই কথাটোতো মনুসংহিতাই বিশেষ গুৰুত্ব প্ৰদান কৰি থৈ গৈছে।[১১]

**২.০২ পিতৃ-মাতৃ আৰু গুৰুজনৰ প্ৰতি দেখুওৱা সন্মানৰ ফলদায়ক শক্তি ঃ**

মনুস্মৃতিয়ে পিতৃ-মাতৃ আৰু আচাৰ্য্য এই তিনিওজনক যথেষ্ট উচ্চ আসনত অধিষ্ঠিত কৰা পৰিলক্ষিত হয়। এই তিনিওজনক যথাযোগ্য সন্মান

দেখুওৱাটো সকলো ধৰ্মৰ উৰ্দ্ধত বুলি ভবা হৈছিল আৰু তাৰ বিপৰীত কাৰ্যক সকলো ধৰ্মীয় অধিকাৰৰ বাধক বুলি কোৱা হৈছিল।[১২] মনুস্মৃতিৰ ২।২২৬ নং শ্লোকত কোৱা হৈছে যে পিতা হ'ল স্বয়ং ব্ৰহ্মা, প্ৰজাপতিৰ পিতৃ আৰু মাতৃ হ'ল দেৱী পৃথিৱীৰ মূৰ্ত্তি।[১৩] সন্তান জন্ম দিয়া আৰু প্ৰতিপালন কৰা কাৰ্য্যত পিতৃ মাতৃয়ে যি কষ্ট সহ্য কৰিবলগীয়া হয় এজন সন্তানে শ শ বছৰতো সেই ঋণ পৰিশোধ কৰিব নোৱাৰে।[১৪] এই তিনিওজন হ'ল ত্ৰিলোক (যাৰ জৰিয়তে ত্ৰিলোক প্ৰাপ্ত হয়), ত্ৰি আশ্ৰম (যাৰ জৰিয়তে সন্তানে তিনি আশ্ৰম প্ৰাপ্ত কৰিব পাৰে), আৰু ত্ৰিবেদ (যাৰ শুশ্ৰূষাৰ জৰিয়তে সন্তানে তিনিবেদৰ অধ্যয়নৰ ফল লাভ কৰিব পাৰে) আৰু ত্ৰি-অগ্নি গাৰ্হপত্য, দক্ষিণ আৰু আহ্বনীয় (তেওঁলোকৰ শুশ্ৰূষাৰ জৰিয়তে এজনে এই ত্ৰি অগ্নিত দিয়া আহুতিৰ পূণ্য প্ৰাপ্ত কৰে। মাতৃভক্তিৰে ভূলোক, পিতৃ ভক্তিৰে অন্তৰীক্ষলোক আৰু গুৰুভক্তিৰে ব্ৰহ্মালোক প্ৰাপ্ত হয়।[১৫] এই তিনিওজনৰ সেৱাৰ ফল ইমানেই উচ্চ যে মনুৱে কৈ গৈছে যে এওঁলোকৰ সেৱাই মানুহৰ সাক্ষাৎ ধৰ্ম আৰু ইয়াৰ বাহিৰে আন সকলো ধৰ্ম উপ-ধৰ্ম বুলি কোৱা হৈছে। শ্ৰুতি আৰু অন্যান্য স্মৃতিতো এই কথা কোৱা হৈছে যে 'ত্ৰিষু এতেষু অধিকৃত্য হি পুৰুষস্য সমাপ্যতে' (মনু ২।২৩৭)। চাক্ষুস সকলো ধৰ্মৰ ভিতৰত ইয়েই হ'ল শ্ৰেষ্ঠ ধৰ্ম। এষঃ ধৰ্মঃ পৰঃ সাক্ষাৎ (মনু (২।২৩৭)।

**২.০৩ উদাৰতা ঃ**

যদিও এই কথা ভবা হয় যে ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত স্মৃতিশাস্ত্ৰসমূহ যথেষ্ট কঠোৰ তথাপি এইটোও সত্য নহয় যে ইয়াত উদাৰতা সম্পূৰ্ণৰূপে বৰ্জনীয়। যিবিলাক সাৰ্বজনীন নীতিয়ে এখন সমাজৰ বান্ধোন দৃঢ় কৰে সেইবিলাক ভৱিষ্যত জীৱনৰ সুবিধাৰ কাৰণে গ্ৰহণ কৰা হৈছিল। তেনে কিছুমান নীতিৰ কথা মনুসংহিতাৰ দ্বিতীয় অধ্যায়ৰ ২৩৮।২৪০ নং শ্লোকত বৰ্ণনা কৰা হৈছে। উদাহৰণস্বৰূপে শ্ৰদ্ধাযুক্ত হৈ নিজতকৈ নীচ ব্যক্তিৰ পৰাও শ্ৰেষ্ঠ বিদ্যা শিকিব পাৰি ; চণ্ডালৰ পৰাও উৎকৃষ্ট ধৰ্ম লাভ কৰা উচিত আৰু নিজতকৈ নীচকুলৰ পৰাও শুভলক্ষণযুক্ত নাৰীৰত্ন বিবাহৰ বাবে গ্ৰহণ কৰিব পাৰি। আকৌ কোৱা হৈছে যে বিষৰ পৰাও অমৃত, শিশুৰ পৰাও মঙ্গলজনক ভাষা, শূদ্ৰৰ পৰাও সদাচাৰ আৰু অপৱিত্ৰ স্থানৰ পৰাও সোণ গ্ৰহণ কৰিব পাৰি। তেনেদৰে স্ত্ৰী, ৰত্ন, বিদ্যা, ধৰ্ম, বিশুদ্ধতা, শুভাষিত আৰু নানা প্ৰকাৰ



কলা-শিল্প সকলোৰে পৰাই গ্ৰহণ কৰিব পাৰি। (নীচকুল, চণ্ডাল, শূদ্ৰ আদি শব্দ বৰ্তমান সময়ত সম্পূৰ্ণৰূপে বৰ্জনীয়। বিষয়ৰ প্ৰাসংগিতকতাৰ কাৰণেহে শব্দ কেইটা উল্লেখ কৰিবলগীয়া হৈছে।)

**২.০৪ কিছুমান জনপ্ৰিয় ৰীতি-নীতি আৰু পৰম্পৰা ঃ**

স্মৃতিশাস্ত্ৰবিলাকত কিছুমান সেই সময়ৰ জনপ্ৰিয় ৰীতি-নীতি আৰু পৰম্পৰাৰো উল্লেখ আছে। সেইবিলাক হ'ল সদায় সত্য আৰু প্ৰিয় বচনহে ক'ব লাগে। সত্য হ'লেও অপ্ৰিয় সত্য ক'ব নালাগে।[১৬] সদায় সজ কথাহে ক'ব লাগে আৰু কাৰো লগত অনাহকত কাজিয়াত লিপ্ত হ'ব নালাগে।[১৭] খোৰা, বাওনা আদি লোক, অধিক অঙ্গযুক্তজনক, মূৰ্খজনক, বেচি বয়সীয়াজনক, কুৰূপ, নিৰ্ধনী আৰু নীচজাতিৰ লোকক নিন্দা কৰা অনুচিত।[১৮] নিৰলস হৈ যথাসময়ত মাথোন বেদৰেই অধ্যয়ন, (পাঠ কৰিব) বিশুদ্ধতা, তপস্যা আৰু প্ৰাণীৰ প্ৰতি দয়াৰ দ্বাৰা মানুহে পূৰ্বজন্মৰ কথা স্মৰণ কৰিব পাৰে।[১৯] দুৰাচাৰী পুৰুষে সংসাৰত নিন্দা পায়, সদায় দুখ ভোগ কৰে আৰু ৰোগী আৰু অল্পায়ু হয়।[২০] যি কৰ্মৰ দ্বাৰা নিজৰ অন্তৰাত্মা (বিবেক) প্ৰসন্ন হয়, সেই কৰ্ম যত্ন সহকাৰে কৰিব আৰু ইয়াৰ বিপৰীতবিলাকক সৰ্বথা ত্যাগ কৰিব।[২১] প্ৰহাৰ কৰাৰ কাৰণে আনৰ ওপৰত লাঠি নুতুলিব অথবা খণ্ডত লাঠিৰে আঘাত নকৰিব। অৱশ্যে শিক্ষা দিবৰ কাৰণে পুত্ৰ অথবা শিষ্যৰ ওপৰত দণ্ড (চেকনি) ব্যৱহাৰ কৰিব পাৰে।[২২] যিজন অধাৰ্মিক, মিথ্যা ভাষণেই যাৰ ধন, যি পৰপীড়ণত তৎপৰ সেইজন ইহলোকত কেতিয়াও সুখী হ'ব নোৱাৰে।[২৩] গৰু আৰু ভুমিয়ে যেনেকৈ তৎকালেই ফল প্ৰদান নকৰে তেনেকৈ অধৰ্ম কাৰ্য্যই লাহে লাহে ফল উৎপাদন কৰি অধৰ্ম আচৰণ কৰোতাজনক সমূলে ধ্বংস কৰে।[২৪] হাত, ভৰি আৰু চকুৰ চপলতা তথা কথা বতৰাত চপলতা ত্যাগ কৰিব, কুটিল নহ'ব আৰু মনেৰে দ্ৰোহাচৰণ নকৰিব।[২৫] ভৃত্যবিলাক নিজৰ ছাঁৰ দৰে, কন্যা অত্যন্ত কৃপাৰ পাত্ৰ। গতিকে এইবিলাকৰ দ্বাৰা অপমানিত হ'লেও সদায় সহণ কৰিব। কেতিয়াও এইবিলাকৰ লগত কাজিয়া নকৰিব।[২৬] অধৰ্মৰ ফল স্বয়ং অধৰ্মচাৰীজনে নাপালে পুত্ৰই পায়, পুত্ৰই নাপালে পৌত্ৰই পায়। কাৰণ কৃত অধৰ্ম কেতিয়াও নিষ্ফল নহয়।[২৭] সেয়েহে যি পথেৰে পিতা আৰু পিতামহাদি (জ্যেষ্ঠ সজ্জন) গৈছে সেই পথকে অনুসৰণ কৰি চলিব লাগে। ইয়াৰ ফলত মনুষ্য অধৰ্মৰ দ্বাৰা পীড়িত নহয় আৰু দুখীত নহয়।[২৮]

**২.০৫ অনৈতিক কাৰ্য্য বৰ্জনীয় ঃ**

অনৈতিক কাৰ্য্য যেনে পৰস্ত্ৰী গমন আৰু যৌতুক লোৱা প্ৰথা কঠোৰভাৱে বৰ্জ্জনীয়। মনুসংহিতাৰ ৪।১৩৪ নং শ্লোকত কোৱা হৈছে যে পৰস্ত্ৰীগমনৰ নিচিনা আয়ুসক্ষয়কাৰী কাৰ্য্য একোৱেই হ'ব নোৱাৰে। কোনো এজন পিতৃয়ে যদি কন্যা দানৰ বিনিময়ত বৰ-পক্ষৰ পৰা স্ত্ৰী ধন গ্ৰহণ কৰে তেতিয়াহ'লে সেই কাৰ্য্যই তেওঁক সন্তান বিক্ৰীৰ দোষত পেলায় আৰু তেনে পাপিষ্ঠ ব্যক্তিৰ নৰক বাস হয়।[২৯]

**২.০৬ যাত্ৰা পথত দেখুওৱাবলগীয়া বিশেষ ব্যক্তিৰ প্ৰতি সন্মান ঃ**

মনুস্মৃতিত যাত্ৰাপথত মানিচলিবলগীয়া কিছুমান শিষ্টাচাৰৰ কথাও পোৱা যায়। উদাহৰণস্বৰূপে ঘোঁৰাগাড়ী আদি বাহনত বহি থকা নব্বৈবছৰীয়া বা তাতোকৈ অধিক বৃদ্ধ লোক, ৰোগী, বোজা কঢ়িয়াই থকা লোক, নাৰী, স্নাতক (সেই সময়ত আটাইতকৈ শিক্ষিত ব্যক্তি) ৰজা আৰু বিয়াৰ দৰাক সকলোৱে বাট এৰি দিব লাগে। ওপৰোক্ত ৰথৰ আৰোহী আদিতকৈও স্নাতক তথা ৰজা মান্য আৰু স্নাতক আৰু ৰজাৰ ভিতৰত স্নাতকজন অধিক মান্য।[২৯]

**২.০৭ পুত্ৰত্বৰ গৌৰৱ ঃ**

এজন পুত্ৰৰ গৌৰৱ সম্বন্ধে মনুস্মৃতিৰ নৱম অধ্যায়ত ১৮২, ১৮৩ নং শ্লোকত এনেদৰে বিভূষিত কৰা হৈছে যে একেজন পিতৃ-মাতৃৰ সহোদৰ ভাইবিলাকৰ ভিতৰত যদি এজনৰহে পুত্ৰ হয় তেনেহ'লে সেই পুত্ৰই (পুত্ৰহীন) আন সকলো ভায়েকৰ পুত্ৰ হ'ব আকৌ একেজন পতিৰে অনেক স্ত্ৰীৰ ভিতৰত যদি এগৰাকীৰহে পুত্ৰ জন্ম হয় তেনেহ'লে সেই পুত্ৰই বাকী (পুত্ৰহীনা) স্ত্ৰীবিলাকৰো পুত্ৰ হোৱাৰ গৌৰৱ লাভ কৰিব।[৩০]

**২.০৮ সামৰণি ঃ**

মনুস্মৃতি হ'ল এখন ধৰ্মনীতিৰ শাস্ত্ৰ। কিন্তু মনুৱে এই 'ধৰ্ম' শব্দৰ এক ব্যাপক অৰ্থ প্ৰকাশ কৰিছে। মনুৱে কৈছে বিজ্ঞসকলে পালন কৰা, ৰাগ দ্বেষহীন সৎ ব্যক্তিসকলে নিতৌ যি পালন কৰে সেয়ে ধৰ্ম। মনুৱে পুনৰ কৈছে— আচাৰশ্চৈৱ সাধুনামাত্মনস্তুষ্টিৰেৱ চ (মনু) ২। ৬) অৰ্থাৎ মহাপুৰুষৰ আচৰণ আৰু মনৰ প্ৰসন্নতা এই গোটেইবিলাকেই হ'ল ধৰ্মৰ মূল। অৰ্থাৎ মানুহে জীৱনত সন্মুখীন হোৱা যিকোনো সমস্যা সমাধানৰ ক্ষেত্ৰত নিজৰ সংস্কাৰযুক্ত মনে যিটো সমাধান দিয়ে সেয়ে ধৰ্ম। মনুস্মৃতিয়েও সামাজিক আচাৰ যেনে পৰিস্কাৰ



পৰিচ্ছন্নতা, সৎ আচৰণ, সামাজিক চেতনা আদিকো ধৰ্মৰ ভিতৰত সাঙুৰি লৈছে।

মনুস্মৃতিত মনুৱে সমাজ ব্যৱস্থাৰ যিবিলাক দিশ উন্মোচন কৰিছে সেই সকলোতে 'ধৰ্ম' অৰ্থাৎ কৰণীয় শব্দৰ যথাযথ প্ৰয়োগ পৰিলক্ষিত হৈছে। সামাজিক সৃষ্টিভংগী সম্পৰ্কীয় যিখিনি তথ্য আমি মনুস্মৃতিৰ পৰা লাভ কৰিব পাৰো সেই সকলোখিনি সৰ্বকালৰ বাবে গ্ৰহণযোগ্য। এখন সমাজৰ সুস্থ বিকাশত সজ আচৰণৰ প্ৰভাৱ কিমান গুৰুত্বপূৰ্ণ সেইয়া সেইখিনি অধ্যয়ন কৰিলে সহজেই বোধগম্য হয়। বৰ্ত্তমান সময়ত সততে দৃষ্টিগোচৰ হোৱা বয়োজ্যেষ্ঠ জনৰ প্ৰতি যথোচিত সন্মানৰ অভাৱ, ওচৰ চুবুৰীয়াৰ প্ৰতি দায়িত্ববোধৰ অভাৱ, আত্মীয় কুটুম্বৰ লগত সম্বন্ধহীনতা আদি বিষয়সমূহৰ কু-প্ৰভাৱে কেনেকৈ এখন সমাজৰ সুস্থ বিকাশত বাধাৰ সৃষ্টি কৰে সেইয়া দূৰদৃষ্টিসম্পন্ন মনুৱে বহু শতিকাৰ পূৰ্বেই সেই সকলোবিলাক আচৰণ ধৰ্মৰ বান্ধোনৰ ভিতৰত সুমুৱাই দি ভৱিষ্যতলৈকে যেন মানৱ জাতিক সকিয়নি দি থৈ গৈছে এনে বোধ হয়। আকৌ পিতৃ-মাতৃ আৰু গুৰুজনৰ প্ৰতি বৰ্তমান প্ৰজন্মৰ যি শ্ৰদ্ধাহীন মনোভাৱ সেইয়া পুণৰ জগাই তুলিবলৈও মনুস্মৃতিৰ অধ্যয়নৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। অনৈতিক কাৰ্য-কলাপবিলাকে এখন সমাজলৈ অন্ধকাৰ নমাই আনে। কোনখিনি অনৈতিক কাৰ্য্য কলাপৰ পৰা সামাজিক ব্যক্তিসকল আঁতৰি থাকিব লাগে সেইবিষয়েও মনুৱে মনুস্মৃতিত উল্লেখ কৰি গৈছে। কিছুমান ক্ষেত্ৰত সমাজৰ মঙ্গলৰ বাবে আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ কাৰণে উদাৰ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে। সেই বিষয়েও মনুস্মৃতিত উল্লেখ আছে। মহাভাৰততো উল্লেখ আছে—

প্ৰভৱাৰ্থায়ভূতানাং ধৰ্মপ্ৰবচনং কৃতম্।
যঃ স্যাৎ প্ৰভৱসংযুক্তঃ স ধৰ্ম ইতি নিশ্চয়ঃ।।

মহা। ১২। ১০৯। ১১

অৰ্থাৎ য'ত সমস্ত প্ৰাণীৰ কল্যাণ নিহিত হৈ আছে সেয়ে ধৰ্ম। গতিকে দেখা যায় যে যি বিলাক আচাৰ-ব্যৱহাৰ, ন্যায়-নীতি 'ধৰ্ম' শব্দৰ অন্তৰ্গত সেই সকলোবোৰৰে মূল লক্ষ্য হ'ল সমস্ত প্ৰাণীৰ কল্যাণ। এই নীতিকেই সাৰোগত কৰি আমি যদি মনুস্মৃতিত উল্লেখিত সমাজব্যৱস্থাৰ বিভিন্ন দিশবিলাক ভালদৰে অধ্যয়ন কৰি সেইবিলাক যথাযথভাৱে প্ৰয়োগ কৰিবলৈ চেষ্টা কৰোঁ তেতিয়াহ'লে অদূৰ ভৱিষ্যতত আমিও এখন সুন্দৰ ভাৰতবৰ্ষৰ কল্পনা কৰিব পাৰিম।

**প্রসঙ্গ-পঞ্জী ঃ**

১। মনুঃ ২।১১৯
২। ঐ ২।১২০
৩। ঐ ২।১২১
৪। ঐ ২।১২২-১২৪
৫। মনুঃ ২। ১২২-১২৪
৬। ঐ ২। ১২৮, ১২৯
৭। ঐ ২। ১৩০, ১৩১
৮। ঐ ২। ১৩৩
৯। ঐ ২। ১৩৪
১০। ঐ ২।১৩৪
১১। ঐ ২। ১৩৭
১২। ঐ ২।২২৭
১৩। আচার্য্যো ব্রহ্মণো মূর্তিঃ পিতা মূর্তিঃ প্রজাপতেঃ।
মাতা পৃথিব্যা মূর্তিঃ ভ্রাতা স্বো মূর্তিৰাত্মনঃ।।
১৪। মনুঃ ২। ২২৭
১৫। ঐ ২। ২৩৩
১৬। ঐ ৪। ১৩৮
১৭। ঐ ৪। ১৩৯
১৮। ঐ ৪। ১৪১
১৯। ঐ ৪। ১৪৭-১৪৮
২০। ঐ ৪। ১৫৭
২১। ঐ ৪। ১৬১
২২। ঐ ৪। ১৬৪
২৩। ঐ ৪। ১৭০
২৪। ঐ ৪। ১৭২
২৫। ঐ ৪। ১৭৭
২৬। ঐ ৪। ১৮৫



২৭। ঐ ৪। ১৭৪
২৮। ঐ ৪। ১৭৮
২৯। ন হীদৃশমনায়ুষ্যং লোকে কিঞ্চন বিদ্যতে।
যাদৃশং পুৰুষস্যেহ পৰদাৰোপসেৱনম্।।
৩০। ভাতৃণামেকজাতানামেকশ্চেৎ পুত্ৰৱান ভৱেৎ
সৰ্ব্বাংস্তাংস্তেন পুত্ৰেণ পুত্ৰিণো মনুৰ ব্ৰবীৎ।।
৩১। সৰ্ব্বাসামেকপত্নীনামেকা চেৎ পুত্ৰিণী ভৱেৎ।
সৰ্ব্বাস্তাস্তেন পুত্ৰেণ প্ৰাহ পুত্ৰৱতীৰ্মনুঃ।।

**প্ৰসঙ্গ গ্ৰন্থ ঃ**


১। Daloi, Dr. Harinath ঃ **India through the ages of Smrtis,** Saraswati Press, College Road, Nalbari - 781335, 2013

২। বৰুৱা, ডাঃ প্ৰফুল্ল নাৰায়ণ ঃ 'মনুসংহিতা' (অসমীয়া অনুবাদ) কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়-৩, ২০০৩ চন

৩। ভাগৱতী, কামাখ্যাচৰণ ঃ 'সংস্কৃত সাহিত্যৰ জিলিঙনি' গ্ৰন্থপীঠ, পাণবজাৰ-গুৱাহাটী-১, ১৯৭৩ চন

৪। শৰ্মা, কিৰণ ঃ 'মনুসংহিতা' অসম বেদ বিদ্যালয়, বেদপুৰম্ ৰূপনগৰ, গুৱাহাটী - ৩২, ১৯৯৩ চন

ISSN : 2349-8943



# मनुस्मृति : एक अवलोकन

**डॉ. समीर कुमार झा**
विभागाध्यक्ष, हिन्दी विभाग
डिब्रू महाविद्यालय, डिब्रूगढ़

मनुष्य ने जब समाज व राष्ट्र के अस्तित्व तथा महत्त्व को मान्यता दी तो उसके कर्त्तव्यों और अधिकारों की व्याख्या निर्धारित करने के तथा नियमों के अतिक्रमण करने पर दण्ड व्यवस्था करने की भी आवश्यकता उत्पन्न हुई। यही कारण है कि विभिन्न युगों में विभिन्न स्मृतियों की रचना हुई, जिनमें 'मनुस्मृति' को विशेष महत्त्व प्राप्त है।

इस प्रकार देखा जाये तो यह कहा जा सकता है कि 'मनुस्मृति' भारतीय संस्कृति का अभिन्न अंग है। इसकी गणना विश्व के ऐसे ग्रंथों में की जाती है, जिनसे मानव ने वैयाक्तिक आचरण और समाज रचना के लिए प्रेरणा प्राप्त की है। इतना ही नहीं इसे हिन्दू धर्म का प्राचीन एवं सबसे महत्त्वपूर्ण धर्मशास्त्र भी माना जाता है। अतः इसे कई नामों से भी जाना जाता है जिसमें **मनुसंहिता** एवं **मानव धर्म शास्त्र** प्रमुख है। इसमें मनु द्वारा ऋषियों को दिया गया उपदेश का उल्लेख है। यह इतना ही महत्त्वपूर्ण है कि बाद वाले धर्मग्रंथकारों ने इसे एक सन्दर्भ के रूप में स्वीकारते हुए इसका अनुसरण करते हैं। धर्मशास्त्रीय ग्रंथकारों के अतिरिक्त शंकराचार्य, शबरस्वामी जैसे दार्शनिकों ने भी इसके महत्त्व को समझते हुए प्रमाण रुपेण इस ग्रंथ को उद्धृत करते हैं।

हिन्दू धर्मशास्त्रियों ने मनुस्मृति की महत्ता को ध्यान में रखकर इसे 'ब्रह्मा' के वाणी तक कह दिया है और परम्परानुसार यह स्मृति स्वयंभूव मनु द्वारा रचित है, वैवस्वत मनु या प्राचनेस मनु द्वारा नहीं कहा है। मनुस्मृति से यह भी पता चलता है कि स्वयंभूव मनु के मूलशास्त्र का आश्रय कर भृगु ने उस स्मृति का उपवृहण किया था, जो प्रचलित मनुस्मृति के नाम से प्रसिद्ध है।

धर्मशास्त्र के रूप में मनुस्मृति की मान्यता न केवल भारतवर्ष बल्कि पूरे विश्व में फैला हुआ है। विदेशों में इसके प्रमाणों के आधार पर निर्णय होते रहे हैं और आज भी वह परम्परा चली आ रही है। अतः धर्मशास्त्र के रूप में मनुस्मृति को विश्व की अमूल्य निधि माना जाता है। भारतवर्ष में यदि वेदों के बाद किसी धर्मग्रंथ का प्रचलन एवं मान्यता प्राप्त हुई है तो वह है मनुस्मृति। इसमें चारों वर्णों चारों आश्रमों, सोलह संस्कारों तथा सृष्टि उत्पत्ति के अतिरिक्त राज्य की व्यवस्था, राजा के कर्त्तव्य, तरह-तरह के विवादों, सेना का प्रबन्ध आदि उन सभी विषयों पर परामर्श दिया गया है जो कि मानव मात्र के जीवन में धटित होने सम्भव है। इसमें वर्णित सभी धर्म व्यवस्था वेदों पर आधारित है। ऐसे तो मनु के जीवन एवं उनके रचनाकाल के विषय में इतिहास और पुराण में कोई स्पष्ट तथ्य नहीं मिलती है। फिर भी सर्वसम्मति से यह स्वीकार करते हैं कि मनु आदिपुरुष थे और उनका मनुस्मृति आदि शास्त्र।

मनुस्मृति के समय एवं रचनाकार के विषय में नवीन शोधकर्त्ताओं ने पर्याप्त अनुसंधान किया है तथा इसके

नामकरण के विषय में कहा है कि मानव चरण अर्थात् वैदिक शाखा में प्रोक्त होने के कारण इस स्मृति का नाम मनुस्मृति पड़ा । वहीं एक अन्य विद्वान का मानना है कि मनुस्मृति से पहले कोई मानव धर्मसूत्र में उदाहरणार्थ मानव गृह्य सूत्र आदि, जिसका आश्रय लेकर किसी ने एक मूल मनुस्मृति बनाई थी जो बाद में उपबृंहित होकर वर्त्तमान रूप में प्रचलित हो गई।

मनुस्मृति के अनेक विचार एवं वाक्य जो निरुक्त, महाभारत आदि प्राचीन ग्रंथों में प्राप्त नहीं होता, उनके कारणों पर विचार करने पर भी कई उत्तर प्रतिभासित होते हैं। इस प्रकार के अनेक तथ्यों का जी. बूहलर अपने पुस्तक 'सैक्रेड बुक्स ऑव ईस्ट सीरीज', संख्या-२५ एवं पाण्डुरंग वामन काणे ने हिस्ट्री ऑव धर्मशास्त्र में मनु प्रकरण में इसके अलावा ऐसे अनेक विद्वानों ने पर्याप्त विवेचन किया है। अन्ततः निष्कर्ष जो निकलता है तर्कसंगत प्रतीत होता है क्योंकि मनु के नाम से धर्मशास्त्रीय विषय परक वाक्य समाज में प्रचलन में थे, जिनका उल्लेख महाभारत आदि ग्रंथों में भी है तथा जिन वचनों का आधार बनाकर वर्त्तमान मनुसंहिता बनाई गई, साथ ही प्रसिद्धि के लिये भृगु नामक प्राचीन ऋषि का नाम उसके साथ जोड़ दिया गया। यह हमें भूलना नहीं चाहिए कि मनु से पहले भी धर्मशास्त्रकार थे, यह मनु के 'एके' आदि शब्दों से ही ज्ञात होता है। कौटिल्य ने मनुमतानुयायियों के लिए **मानवाः** शब्द का उल्लेख किया है।

जहाँ तक काल अर्थात् समय सीमा की बात है तो पाश्चात्य विद्वानों के मत यहाँ उल्लेख कर सकते हैं। पाश्चात्य विद्वानों के अनुसार मनु परम्परा की प्राचीनता



होने पर भी वर्त्तमान मनुस्मृति ईसा पूर्व चौथी शताब्दी से पुरानी नहीं हो सकती। यह बात अलग है कि इसमें प्राचीनतर काल के अनेक वचन संगृहित हुए है जिसकी जानकारी यवन, शक, कांबोज, चीन आदि जातियों के निर्देश से होती है। यह भी निश्चित है कि स्मृति का वर्त्तमान रूप द्वितीय शती ईसा पूर्व तक दृढ़ हो गया था और इस काल के बाद इसमें किसी भी प्रकार का कोई संस्कार नहीं किया गया।

मनुस्मृति में बारह अध्याय तथा दो हजार पाँच सौ श्लोक है, जिनमें सृष्टि की उत्पत्ति, संस्कार, नित्य और नैमित्तिक कर्म, आश्रमधर्म, वर्णधर्म, राजधर्म व प्रायश्चित आदि जैसे महत्त्वपूर्ण विषयों का विषद वर्णन किया गया है।

इतनी प्रसिद्धि पाने के बावजूद इसपे कई तरह के आरोप लगाये गये हैं, जिसमें सबसे गम्भीर आरोप लगाया गया कि मनुस्मृति नारी विरोधी था तथा नारी का अवमानना की गई है। इसके अलावा इसमें शुद्रों को भी अपमानित किया गया है का आरोप है।

जहाँ यह कहा गया है कि 'जिस समाज या परिवार में स्त्रियों का आदर-सम्मान होता है, वहाँ देवता अर्थात् दिव्यगुण और सुख-समृद्धि निवास करते हैं और जहाँ इनका आदर-सम्मान नहीं होता, वहाँ अनादर करने वालों के सभी काम निष्फल हो जाते हैं भले ही वे कितना ही श्रेष्ठ कर्म कर लें, उन्हें अत्यन्त दुःखों का सामना करना पड़ता है।' इतना सम्मान प्रदान करने के बावजूद वस्तुस्थिति यह रही है कि पारंपरिक समाज से लेकर उत्तर-आधुनिक समाज में, अपने कर्मक्षेत्र से लेकर गृहस्थ जीवन आदि

सभी क्षेत्रों में नारी आज भी दलित, प्रताड़ित, शोषित वर्ग का बड़ा हिस्सा ही रही है। और स्त्री को उसका हिस्सा बनाने में मनुस्मृति का बहुत बड़ा योगदान रहा है। फ्रेंच भाषा की स्त्रीवादी लेखिका सिमोन-द-बोउवार के शब्दों में कह सकते हैं कि - 'स्त्री पैदा नहीं होती, बल्कि उसे बना दिया जाता है।'१०

**संदर्भ ग्रंथ -**

१. वर्मा शास्त्री, डॉ.रामचन्द्र, मनुस्मृति (भारतीय आचार संहिता का विश्वकोष), टीकाकार-/प्रकाशक- विद्याविहार, नई दिल्ली।

२. क. विकिपीडिया : एक मुक्त ज्ञानकोष

ख. agniveer.com

ग. bharatdiscovery.org/India/मनुस्मृति

ISSN : 2349-8943

# Eternal values enshrined in the Manusmriti : A brief note

**Dr. Mandakini Mahanta**
Assistant teacher
Pandit Gopinath Bordoloi High School
Raha, Nagaon, Assam

Manu is the first propounder of Dharma in India. The magnum opus composed by Manu i.e. the Manusmriti is not only acclaimed in India but also in rest of the world. Manusmriti is the most important and oldest Dharmashastra of India. It is also well known as Manava-dharma-shastra or Manusamhita. It is in the form of giving instruction by Manu to the sages. According to Hindu mythology, Manusmriti is the outcome of the sayings of Lord Brahma. Apart from the philosophers such as authors of dharmashastras ,Shankaracarya, Sabaraswamy and so on refer to this smriti with great authenticity. As tradition goes, Swayambhuva Manu has authored this smriti, not Vaivasvata Manu nor Prachanesh Manu. Manusmriti is that dharmashastra of whose authencity is world famous.

The age of Manusmriti is difficult to determine. It is assumed that the laws of Manu were known to the vedic people. The presently available Manusmriti might have been reached its final form by 200 CE. In early India, people firmly believed that it is due to God's power due to which the world is regularised in proper order. Therefore, since ancient times, the order and regularity of the Hindu society were formulated

by many scholars. In that way, we now have 18 Dharmashastras amongst which the Manusmriti is the most important one. The Manusmriti has its credit for its codified observation, experience, analysis, the study of the vedas, keeping in view the best interest of the humanity and society . Apart from dealing with many aspects of human life and society Manu sets forth some eternal values to be the basis of Dharma. He projects an ideal society and ideal human conduct as the basis of human life. In order to propagate these principles Manu incorporates many laws applicable to each individual according to their own class, duties and responsibilites. Manu has propounded the laws keeping the eye in the very eternal values that govern the human instinct.

**Objective of the paper :**

The present paper aims at finding out the eternal values of the Manusmriti. Though Manusmriti is primarily considered to be a work on Dharmashastra it also contains a good discourse of the eternal principles. The paper will be an attempt to deduce some of them.

In the second chapter of the Manusmriti Manu has interpreted the basis of all human actions. He firmly states that is nothing but desire at the root of all human action.[1] He bespeaks that there is not a single action of man in the world which is free from desire. Everthing a man does is the result of his desire. Manu says that all desires of human beings should be controlled. These are to be regulated by rules. And these rules are called Dharma. Desire is never extinguished by the enjoyment of desire. It increases only as fire does with ghee.[2]

Moving to conceptualize the organs of human Manu says that amongst the elevan organs of every individual the ten are ears, spin, eyes, tangue, nose, organ of generation, hands, feet and the speech.[3] The first five organs are known as jnanendriyas. And the rest are Karmendriyas. Apart from these, the 11th one is the Mind. According to the Manu, Mind



belongs to the both categories viz; the organs of the sense and the organs of the actions. In order to put the organs of the sense and actions we are to just put the mind under control. The only reason of committing guilty by a man is the uncontrolled actions of his organs of senses. In order to attain success he is to keep them under control. He attains success whose speech and conduct are pure. This is indeed very inspiratory. It should be the basis of providing education. Training of controlling the mind is the main subject matter of Man making and character building education.

Manu speaks about the causes of evil actions. Actions are originated from the mind, speech or body. They produce either good or evil result. Mind is the originator of all actions. The actions are of three kinds. They fall under ten heads.

**1. Three sinful mental actions**

i) coveting the property of others.
ii) thinking what is undesirable.
iii) adherence to evil doctrines.

All these give rise to four types of evil verbal actions or three types of evil bodily actions.

**2. Four evil verbal actions**

i) speaking untruth
ii) altacking others in strong language
iii) carring tales against another person
iv) talking ill of others

**3.Three wicked bodily actions**

i) talking what is not given
ii) injuring others including living beings
iii) illicit intercours

From the above classification it can be observed that in all the cases the instigation comes from the mind. Therefore, the sin first takes form as mental action then it gets expressions in bodily actions. Therefore, Manu again and again instructs to control the mind first in all proper way.

Manu refers to three dandins.[4] Tridandin is that man on whose mind he has three controls, viz;

1. Manodanda-control over his thoughts
2. Vak danda - control over his speech
3. Kaya danda - control over his body.

whoever is successful in having these controls with respect to other creature and wholly controls desire will surely attain prosperity in life. Thus, Manu has found out the root cause of all evil actions along with its solutions. Dealing on Moksha i.e. bliss is also an important one in the Manusmriti. The study of the vedas and acquiring vedic knowledge and practising them in day to day life, austerity by subjugation of sense organs, obstaining from causing injury to others and serving the Guru are the best methods of attaining eternal bliss.[5]

Manu gives superiority to actions. Knowledge of the soul is the best.[6] The performance of the act prescribed by the vedas are wide enough to cover several rules to be followed for good.[7] He who can realize that his self in other beings becomes self - luminous.[8]

Manu repeatedly gives stress on the vedas. The teachings rendered by the vedas are enough to inculcate good habits. Rules that are not based on the vedas are said to be rejected. Vedas incorporate eternal values having divine source. All the smrities, traditions, customs and all despical system of philosophy which are not based on veda are founded in darkness and, therefore, useless.[9]

According to Manu what brings happiness to human being is contentment i.e. Tripti . So, one must strive for contentment to be happy. Satisfaction is the ultimate cause of happiness. For that, one must have to control greed. An individual should avoid all means of acquiring wealth that may create obstacles in the study of the vedas.

Manu instructs five rules of Dharma.[10] One should



not indulge in violence, truthfulness, non-stealing and not acquiring any wealth through immoral or illegal methods, control of senses and clearliness of mind and body are the five rules of Dharma to be followed by all. Ahimsa i.e. non-violence is placed in the first and foremost position. Here, it should be mentioned distinctly that by the word 'Dharma' Manu refers only to all the rightful codes of human life, not the varied ways to worship God. Manu believes in deeds and actions. He also states that the values of Dharma are to be inculcated in an individual right from the childhood. If it is done it will remain throughout the life. Thus , a peaceful life is possible to be led.

Manusmriti expounds code of conduct. Sattva, Rajas and Tamas are said to be the three qualities of the self.[11] Sattva is declared to have the form of knowledge. Tamas of ignorance and Rajas of love and hatred. When man experiences in his soul a fealing of bliss, a deep calm, as it were, and a pure light, then as Manu says, he is to know that it is the quality of Sattva. He who possesses faith may receive pure learning even from a man of lower caste, the highest law even from the lowest.

Manu gives stress on the observation of Dharma. According to Manu,Dharma protects those who protect it. He who destroys Dharma gets destroyed.Therefore,Dharma should not be destroyed as a consequence thereof.[12] At this point Justice M. Rama Jois says that the principles laid down in this saying is of the utmost importance and significant. In the above very short saying the entire concept of Rule of Law is incorporated. The meaning it conveys is that an orderly society would be in existence if everyone acts according to Dharma and such an orderly society which would be an incarnation of Dharma, in turn, protects the rights of individuals.

**Conclusion:**

From the above discussion it can be concluded by saying that the Manusmriti is a work that imbibes the very soul of Indian norms, values and principles. Though its prime motto is to inculcate Laws of the society it, at the same time, discusses eternal values of the life and society. In order to keep the society in an orderly way the people are also to be in order. And here comes the necessity of the values, the very root of the Indian culture and civilisation. Desire of any kind is to be demolised and satisfaction for evey bite that we get ..these are the prime aspects of Manu's philosophy.○

**References :**

1. Manusmriti, II.4.
2. Ibid., II.94.
3. Ibid., II.89-91.
4. Ibid., II.10.
5. Ibid., XII.83.
6. Ibid., XII.85
7. Ibid., 87
8. Ibid., XII .91.
9. Ibid., XII.95
10. Ibid., X.63.
11. Ibid., XII.24.
12. Ibid., 8-15.
13. Jois, M. Rama, Ancient Indian Law, Universal Law Publishing Co., New Delhi

**Bibliography :**

1. Manusamhita with the commentary of Manvarthamuktavali edited by Prof. T. L. Sastri , MLBD, Delhi,1st edition, 1983
2. Jois, M.Rama, Ancient Indian Law, Universal Law Publishing Co., New Delhi
3. Bhatiya,Ved Prakash, Ethical and Spiritual values in Indian scriptures, Nation Press, Chennai, 2016
4. Aurobindo Ghosh, Foundations of Indian culture, Calcutta,1961

ISSN : 2349-8943

# মনুস্মৃতি আৰু জাতি-ব্যৱস্থা

**চন্দন হাজৰিকা**
গৱেষক ছাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

ভাৰতবৰ্ষত বৰ্তমান সময়ত ভ্ৰষ্টাচাৰ, সন্ত্ৰাসবাদ, গোড়ামি, নিৰক্ষৰতা, নৈতিক অধঃপতনকে আদি কৰি বিভিন্ন সমস্যাই গা কৰি উঠা পৰিলক্ষিত হৈছে। কিন্তু এই সকলোবোৰ সমস্যাৰ ওপৰত সৰ্বাতোকৈ ভয়াৱহ সমস্যা হৈছে সমাজত জন্মসূত্ৰে প্ৰচলিত জাতি-ব্যৱস্থা আৰু লিঙ্গ-বৈষম্য। কাৰণ এই দুই মূলভূত সমস্যায়েই অন্য সমস্যাবোৰক গা কৰি উঠাত অৰিহণা আগবঢ়াই আহিছে। এই উভয়বিধ সমস্যাই হৈছে আমাৰ অতীত আৰু বৰ্তমানৰ সকলো বিপত্তিৰ প্ৰধান কাৰণ। ইহঁতক শিপাৰে সৈতে উভালি নেপেলালে আমাৰ সোণৰ ভাৰতৰ সপোন আধৰুৱা হৈয়ে ৰৈ যাব। এক সমৃদ্ধ আৰু শক্তিশালী সমাজ জাতি-ব্যৱস্থা আৰু লিঙ্গ-বৈষম্যৰ সৈতে গঢ়াটো অসম্ভৱ।

ধ্যাতব্য যে জাতি-ভেদ আৰু লিঙ্গভেদ কেৱল হিন্দু-সমাজৰ একাকী সমস্যা নহয়। লিঙ্গভেদ হৈছে সমগ্ৰ বিশ্বজুৰি শিপাই থকা এক প্ৰধান সমস্যা আৰু জাতি-ভেদ সমান্তৰালভাৱে সকলো ধৰ্ম আৰু সমাজক চুই যোৱা এক সমস্যা। যিহেতু হিন্দুত্ব হৈছে সৰ্বাতোকৈ প্ৰাচীন সংস্কৃতি, ইয়াৰ ওপৰতেই সমাজ-ব্যৱস্থাক ভ্ৰষ্ট কৰাৰ দোষ আৰোপ কৰা হয়। যদি এই দুই কু-প্ৰথা আমি এনেদৰেই সদায় বহন কৰি থাকোঁ, আমাৰ সমাজখন ক্ষুদ্ৰ-ক্ষুদ্ৰ ভাগত বিভক্ত হৈ গৈ থাকিব আৰু আমাৰ দেশ দুৰ্বল হৈ গৈ থাকিব।

আচৰিত কথা এই যে আজিৰ দিনতো কতিপয় বুদ্ধিজীৱী লোক এই দুই কু-প্ৰথাৰ সমৰ্থক। তেনে লোকসকলে নিজৰ মতৰ পুষ্টিৰ বাবে প্ৰাচীন শাস্ত্ৰৰ সবিশেষ জ্ঞান নোহোৱাকৈয়ে সেই শাস্ত্ৰ সমূহৰ বিভিন্ন উদ্ধৃতি আগবঢ়ায়।

ফলস্বৰূপে বৰ্তমান সমাজত উক্ত শাস্ত্ৰসমূহৰ প্ৰতি এক অনীহা ভাব প্ৰকাশ পোৱা বাৰুকৈয়ে পৰিলক্ষিত হয়। তেনে শাস্ত্ৰসমূহৰ ভিতৰত মনুৰ দ্বাৰা প্ৰণীত মনুস্মৃতি (মনুসংহিতা) হৈছে সবাতোকৈ অধিক সমালোচনাৰ সম্মুখীন হোৱা গ্ৰন্থ। নীতি আৰু ধৰ্মৰ শিক্ষা দিয়া মনুস্মৃতিক জাতি-ব্যৱস্থাৰ ঘোৰ সমৰ্থকৰ ৰূপতহে স্বীকাৰ কৰা দেখা যায়। মনুস্মৃতিত উল্লিখিত কতিপয় শ্লোকৰ আঁত ধৰি সমাজৰ এক বিশেষ বৰ্গৰ লোকে জাতি-ব্যৱস্থাৰ সমৰ্থন কৰা দেখা যায়। কিন্তু বৰ্তমান সমাজত প্ৰচলিত জাতি-ব্যৱস্থাৰ যে মনু সমৰ্থক নাছিল তাৰ সমৰ্থনত অসংখ্য শ্লোক মনুস্মৃতিৰ পাত লুটিয়াই চালেই মনুস্মৃতিৰ প্ৰতি মনত এক ভুল ধাৰণা পুহি ৰখা লোক সকলৰ চকুত পৰিব।

মহৰ্ষি মনুৱে নিজৰ গ্ৰন্থত ক'তো জাতি-ব্যৱস্থাৰ অৰ্থত 'জাতি' শব্দৰ প্ৰয়োগ কৰা নাই। 'জাতি' শব্দটিৰ অৰ্থ হৈছে 'জন্ম'। গতিকে এইটো নিশ্চিত যে তেওঁ জন্মসূত্ৰে সমাজৰ শ্ৰেণী-বিভাজনৰ কথা ক'তো সমৰ্থন নাই কৰা। বৰঞ্চ এই প্ৰসংগত তেওঁ 'বৰ্ণ' শব্দটিৰ প্ৰয়োগ কৰাহে দেখা যায় (এতেষামেৱ ৱৰ্ণানাং শুশ্ৰূষামনসূয়য়া)।[১] 'বৰ্ণ' পদটি 'বৃঞ্' ধাতুৰ পৰা নিষ্পন্ন হৈছে যাৰ অৰ্থ হৈছে চয়ন কৰা। যি নিজৰ জীৱন-নিৰ্বাহৰ অৰ্থে যেনে ধৰণৰ জীৱিকা চয়ন কৰিব; সেই জীৱিকা অনুসৰিয়েই তেওঁৰ বৰ্ণৰ নিৰ্ধাৰণ হ'ব। এয়েই হৈছে 'বৰ্ণ' পদটিৰ তাৎপৰ্য। যদি সেই সময়ৰ সমাজত জাতি-ব্যৱস্থাৰ মহত্ত্ব থাকিলহেঁতেন, তেন্তে নিশ্চয় মনুৱে এই কথা উল্লেখ কৰিলহেঁতেন।

ইয়াৰ তাৎপৰ্য এয়ে যে নিজকে জন্মৰে পৰা ব্ৰাহ্মণ বা উচ্চ জাতিৰ বুলি ভবা সকলৰ বাবে তেওঁলোকৰ ওচৰত উচ্চ-জাতিত্বৰ কোনো ধৰণৰ প্ৰমাণ নাই। তেওঁলোকে কেৱল ক'ব পাৰে যে তেওঁলোকৰ পূৰ্বজ সকলে নিজকে উচ্চ-জাতিৰ স্থানত ৰাখি আহিছে। কিন্তু তেওঁলোকৰ এনে কথনৰ প্ৰামাণিকতাও বুৰঞ্জীয়েহে নিৰ্ধাৰণ কৰিব পাৰিব। সভ্যতাৰ প্ৰাৰম্ভৰে পৰাই যে তেওঁলোক উচ্চ-জাতিৰ আছিল, সেয়া তেওঁলোকে সাব্যস্ত কৰিব নোৱাৰে। এনে ক্ষেত্ৰত এইটো কোৱাটো কিমান যুগুত হ'ব যে আজি যি সকলক জন্মসূত্ৰে শূদ্ৰৰ শাৰীত ৰখা হৈছে তেওঁলোক সভ্যতাৰ আৰম্ভণিৰে পৰাই শূদ্ৰই আছিল। অথবা যি সকল লোকে আজি নিজকে উচ্চ-জাতিৰ বুলি কৈ ফটা-ঢোল কোবাই আছে তেওঁলোকো যে এসময়ত শূদ্ৰ নাছিল কোনে ক'ব পাৰিব। মনুস্মৃতিত স্পষ্টভাৱে কোৱা আছে যে নিজৰ কুল-গোত্ৰৰ দোহাই দি ভোজন কৰা বিপ্ৰই দৰাচলতে বমিহে ভক্ষণ কৰে (ন ভোজনাৰ্থং স্বে ৱিপ্ৰঃ কুলগোত্ৰে নিৱেদয়েৎ। ভোজনাৰ্থং হি শংসন্বান্যাশীত্যুচ্যতে বুধৈঃ।।)।[২] তাৎপৰ্য এয়ে যে মনুস্মৃতিৰ মতে নিজৰ কুল-গোত্ৰৰ পৰিচয় দি নিজকে উচ্চ-কুলৰ বুলি বিবেচনা কৰা আৰু সমাজত মান-সন্মানৰ অপেক্ষা কৰা জন্মসূত্ৰে ব্ৰাহ্মণ বা উচ্চজাতিৰ লোক সকল নিন্দাৰ পাত্ৰ।



মনুস্মৃতিত উল্লেখ আছে যে সাধুতাৰে ঘটা সম্পত্তি, বন্ধু, বয়স, কৰ্ম আৰু বিদ্যা এই পাঁচবিধ সন্মানৰ স্থান। ইয়াৰ ভিতৰত প্ৰথমৰ পৰা দ্বিতীয় আদি উত্তৰোত্তৰভাৱে বেছি সন্মানীয় (ৱিত্তং বন্ধুৰ্ৱয়ঃ কৰ্ম ৱিদ্যা ভৱতি পঞ্চমী। এতানি মান্যস্থানানি গৰিয়ো য়দ্যদুৰত্তৰম্।।)।[৩] ইয়াত ক'তো জাতি, কুল, গোত্ৰ বা বংশক সন্মানৰ মানদণ্ডৰ ৰূপত স্বীকাৰ কৰা হোৱা নাই।

মনুস্মৃতিৰ দশম অধ্যায়ত স্পষ্টভাৱে কোৱা আছে যে শূদ্ৰই ব্ৰাহ্মণত্ব আৰু ব্ৰাহ্মণে শূদ্ৰতা প্ৰাপ্ত হয়। সেইদৰে ক্ষত্ৰিয় আৰু বৈশ্যৰ পৰা উৎপন্ন শূদ্ৰও ক্ষত্ৰিয়ত্ব আৰু বৈশ্যত্ব প্ৰাপ্ত হয়।[৪] (শূদ্ৰো ব্ৰাহ্মণতামেতি ব্ৰাহ্মণশ্চেতি শূদ্ৰতাম্। ক্ষত্ৰিয়াজ্জাতমেৱং তু ৱিদ্যাদ্বৈশ্যাত্তথৈৱ চ।।) এঠাইত আকৌ কোৱা হৈছে যে শৰীৰ আৰু মনৰ পৰা পৱিত্ৰ, উৎকৃষ্ট লোকৰ সান্নিধ্যত থকা, মধুৰভাষী, অহংকাৰৰহিত, নিজতকৈ উৎকৃষ্ট বৰ্ণৰ ব্ৰাহ্মণ আদিৰ শুশ্ৰূষা কৰা শূদ্ৰয়ো উৎকৃষ্ট বৰ্ণত জন্ম লাভ কৰিব পাৰে (শুচিৰুৎকৃষ্ট শুশ্ৰূষুমৃদুৰ্ৱাগনহংকৃতঃ। ব্ৰাহ্মণাদ্যাশ্ৰয়ো নিত্যমুৎকৃষ্টাং জাতিমশ্নুতে।।)।[৫] এইখিনি কথাৰ পৰা বুজিবলৈ নিশ্চয় অসুবিধা নহ'ব যে মহৰ্ষি মনুৰ মতে বৰ্ণ-নিৰ্ধাৰণ জন্মই নকৰে। বৰঞ্চ কৰ্মই হৈছে বৰ্ণ-নিৰ্ধাৰণৰ একমাত্ৰ মাপকাঠী।

উচ্চ-বৰ্ণৰ পিতৃ-মাতৃৰ সন্তানো যদি উৎকৃষ্ট কৰ্মৰ পৰা বিৰত থাকে, তেন্তে তেওঁক শূদ্ৰ বুলিয়েই গণ্য কৰা হ'ব। এই প্ৰসংগতো অনেক উদাহৰণ মনুস্মৃতিৰ পাতত দেখা পোৱা যায়। উদাহৰণস্বৰূপে —

যিজনে পুৱা আৰু গধূলি সন্ধ্যা-প্ৰাৰ্থনা নকৰে তেওঁক সৎ সমাজে সকলো দ্বিজ-কৰ্মৰ পৰা বহিষ্কাৰ কৰিব লাগে, অৰ্থাৎ শূদ্ৰৱৎ বিবেচনা কৰিব লাগে।[৬]

এঠাইত আকৌ কোৱা হৈছে যে যেতিয়ালৈকে এগৰাকী ব্যক্তি বেদৰ শিক্ষাত দীক্ষিত নহয় তেতিয়ালৈকে তেওঁ শূদ্ৰই হৈ থাকে।[৭] ইয়াত এইটো কথা সম্পূৰ্ণ পৰিষ্কাৰ হৈ আছে যে কোনো ব্যক্তিয়েই জন্মতেই ব্ৰাহ্মণ হৈ জন্ম

নলয়। জন্মতে প্ৰত্যেক ব্যক্তিয়েই শূদ্ৰ হৈয়েই জন্ম লয়।

মনুৱে কৈছে যে যি দ্বিজে অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যই বেদ অধ্যয়ন নকৰি অন্য ক্ষেত্ৰত পৰিশ্ৰম কৰে তেওঁৰ জীৱিত অৱস্থাতেই সবংশে শূদ্ৰত্ব প্ৰাপ্তি হয়।[৮] গতিকে এই দিশৰ পৰা চাবলৈ গ'লে নগণ্য সংখ্যক লোকক বাদ দি সকলো লোকেই শূদ্ৰ। এনেক্ষেত্ৰত 'মই ব্ৰাহ্মণ, সি শূদ্ৰ' বুলি কোৱাৰ কোনো ব্যক্তিৰ অধিকাৰ নাই।

যি বিপ্ৰই অভিবাদন কৰাৰ পিছত প্ৰত্যাভিবাদন নকৰে তেওঁ শূদ্ৰৰ সমান বুলি মনুৱে মন্তব্য কৰিছে।[৯]

এই উদ্ধৰণ সমূহৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে যি ব্যক্তি নিজৰ দৈনন্দিন নিত্য-নৈমিত্তিক কৰ্ম সমূহৰ পৰা বিৰত থাকে, যি বেদ-অধ্যয়ন নকৰে আৰু অন্য কৰ্মত লিপ্ত হয়, যি শিষ্টাচাৰ নাজানে, তেৱেঁই হৈছে প্ৰকৃততে শূদ্ৰ।

শূদ্ৰ অশিক্ষিত হ'লেও তেনে লোকৰ পৰা বিশেষ কৌশল আৰু জ্ঞান গ্ৰহণ কৰিব লাগে। উত্তম বিদ্যা নীচৰ পৰাও গ্ৰহণ কৰিব লাগে, চাণ্ডালৰ (শূদ্ৰ) পৰাও মোক্ষ ধৰ্মৰ শিক্ষা গ্ৰহণ কৰিব লাগে আৰু নীচ কুলৰ পৰাও স্ত্ৰী-ৰত্ন গ্ৰহণ কৰিব লাগে।[১০] বিপদ কালত অব্ৰাহ্মণৰ পৰাও অধ্যয়ন কৰাৰ বিধান আছে।[১১] যি মনুৱে শূদ্ৰৰ পৰাও মোক্ষ আদিৰ শিক্ষা গ্ৰহণ কৰাৰ বিধান দি গৈছে, সেই মহৰ্ষি মনুক শূদ্ৰ-বিৰোধী কোৱাটো কিমান উচিত হ'ব।

মনুৰ দ্বাৰা নিৰ্দিষ্ট বৰ্ণ-ব্যৱস্থাই জন্মৰ পৰাই কোনো বৰ্ণৰ কথা নকয়। পিতৃ-মাতৃৰ এইটো দায়িত্ব যে বাল্যাৱস্থাতেই নিজ শিশুৰ ৰুচি আৰু প্ৰবৃত্তিৰ প্ৰতি দৃষ্টি ৰাখি সিহঁতৰ যোগ্যতাৰ চিনাক্তকৰণ কৰি তদনুৰূপ নিজ প্ৰতিভাৰ স্ফুৰণ ঘটাবৰ বাবে বালকক গুৰুৰ আশ্ৰমত থাকি শিক্ষা-গ্ৰহণৰ বাবে পঠিয়াই দিব লাগে। প্ৰত্যেক ব্ৰাহ্মণ পিতৃ-মাতৃয়েই নিজ সন্তানক ব্ৰাহ্মণেই বনাব বিচাৰে। কিন্তু তাৰ বাবে সেই সন্তানত ব্ৰাহ্মণোচিত গুণ, কৰ্ম আৰু স্বভাৱ হোৱাটোও অত্যন্ত জৰুৰী। কোনো ব্ৰাহ্মণৰ গৃহত জন্ম ল'লেই বা গুৰুৰ সান্নিধ্যত ব্ৰাহ্মণোচিত প্ৰশিক্ষণ ল'লেই উক্ত বালকজন ব্ৰাহ্মণ হৈ নপৰে যেতিয়ালৈকে তাৰ যোগ্যতা, জ্ঞান আৰু কৰ্ম ব্ৰাহ্মণোচিত নহয়। কাঠেৰে তৈয়াৰী হাতী আৰু চামৰাৰে তৈয়াৰী পহুৰ দৰে বেদ আদিৰ অধ্যয়ন নকৰা ব্ৰাহ্মণ কেৱল নামতহে ব্ৰাহ্মণ হয়।[১২] মনুৱে কৈছে যে ব্ৰাহ্মণে নিজে দুখী হৈও আন কাৰো অন্তৰত দুখ নিদিব। আনৰ লগত শত্ৰুতাৰ ভাৱ নাৰাখিব আৰু আনে কষ্ট



পোৱা কথা নক'ব। ব্ৰাহ্মণে পাৰ্থিৱ সন্মানবোৰ বিষৰ দৰে ত্যাগ কৰিব লাগে আৰু অপমানবোৰ সদায় অমৃত বুলি গ্ৰহণ কৰিব।[১৩] তাৎপৰ্য এয়ে যে ব্ৰাহ্মণৰ সন্তান হোৱাটোৱেই ব্ৰাহ্মণত্বৰ প্ৰাপ্তি নহয়। বৰঞ্চ ব্ৰাহ্মণ হৈছে এক নৈতিকতাৰ মূৰ্ত্তি, সহিষ্ণুতাৰ প্ৰতীক, ব্ৰহ্মপ্ৰাপ্তি বা ব্ৰহ্মত্ব-উপলব্ধিৰ চৰম সোপান। জন্মতেই কোনো ব্ৰাহ্মণ হৈ জন্ম নলয়, এয়া অন্য কোনোৱে নহয়, মহৰ্ষি মনুৱে কৈছে।

'স্বাধ্যায়েন ব্ৰতৈৰ্হোমৈস্ত্ৰৈবিদ্যেনেজ্যয়া সুতৈঃ। মহায়জ্ঞৈশ্চ য়জ্ঞৈশ্চ ব্ৰাহ্মীয়ং তনুতে তনুঃ।।' — বেদ-অধ্যয়ন, ব্ৰত, হোম, ত্ৰিবিধ দেৱ ঋষি পিতৃ তৰ্পণ, পুত্ৰোৎপাদন, ব্ৰহ্মযোগ আদি আৰু জ্যোতিষ্টোম আদি যজ্ঞৰ দ্বাৰা এই শৰীৰ (শূদ্ৰ শৰীৰ) ব্ৰাহ্মীয় অৰ্থাৎ ব্ৰাহ্মণৰ শৰীৰ হয় (যি ব্ৰহ্মপ্ৰাপ্তিৰ যোগ্য (নিকটতম) হয়)।[১৪]

মনুৰ মতে মানুহৰ বাস্তৱিক জন্ম বিদ্যা-প্ৰাপ্তিৰ পিছতহে হয়। জন্মতে প্ৰত্যেক মানুহেই যে মনুৰ মতে শূদ্ৰ সেয়া পূৰ্বেই কৈ অহা হৈছে। মনুৰ বৰ্ণ-ব্যৱস্থা সম্পূৰ্ণৰূপে গুণ আৰু কৰ্মৰ ওপৰতে প্ৰতিষ্ঠিত। ২.১৪৭-১৪৮ ত মনুৱে কৈছে যে পৰস্পৰ কামবশ হৈ মাতা-পিতাই যি শৰীৰ মাতৃৰ গৰ্ভৰ পৰা জন্ম দিয়ে, সেই প্ৰাণীৰ জন্ম পশু আদিৰ দৰে সাধাৰণ হয়। বেদজ্ঞ আচাৰ্যই সাৱিত্ৰীৰ দ্বাৰা যি পুনৰ্জন্ম দিয়ে, সেই জন্মই প্ৰকৃত জন্ম আৰু অজৰ-অমৰ হয়।[১৫] গতিকে জন্মতে ব্ৰাহ্মণ, ক্ষত্ৰিয় আদি হোৱাটো দূৰৰ কথা, সু-শিক্ষা লাভ নকৰালৈকে মানুহ মানুহেই হ'ব নোৱাৰে।

দশম অধ্যায়ত মনুৱে কৈছে যে উপনয়ন আদিৰ দ্বাৰা দ্বিতীয় জন্ম লৈ বিদ্যা গ্ৰহণ কৰা ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনি বৰ্ণক দ্বিজ বুলি কোৱা হয়। বিদ্যা গ্ৰহণ নকৰা চতুৰ্থ জাতিটো হৈছে শূদ্ৰ। ইহঁতৰ বাহিৰে পঞ্চম কোনো জাতি নাই।[১৬] এই যে পঞ্চম জাতি কোনো নথকাৰ কথা কোৱা হৈছে আৰু ব্ৰাহ্মণ আদি তিনিও বৰ্ণক 'দ্বিজ' বুলি কৈ এটা বৰ্গত ৰখা হৈছে ইয়াৰ তাৎপৰ্য এয়ে যে শিক্ষাই হৈছে এই বৰ্গীকৰণৰ মূল। যি শিক্ষাৰ দ্বাৰা দ্বিতীয় জন্ম লাভ কৰিলে সিয়েই দ্বিজ বা শিক্ষিত আৰু যি বিদ্যা আহৰণ কৰিব নোৱাৰিলে সিয়েই হ'ল শূদ্ৰ বা অশিক্ষিত লাগিলে সি ব্ৰাহ্মণৰ ঘৰতেই জন্ম নলওক কিয়। এইদৰে শিক্ষিত আৰু অশিক্ষিত এই দুইটাই হৈছে সমাজৰ দুটা প্ৰধান বৰ্গ।

কোনো ব্যক্তিৰ জন্ম যদি আৰ্থিকভাৱে বা অন্যভাৱে পিছপৰা কুলত

হয়, তেনে ব্যক্তি যাতে নিজৰ জন্ম-কুলৰ বাবেই পিছ পৰি থাকিব লগা নহয় তাৰ বাবেও মনুৱে নিয়ম নিৰ্ধাৰণ কৰি দিছে। অঙ্গহীন, বেছি অঙ্গযুক্ত, অশিক্ষিত, কুৰূপ, বৃদ্ধ, দৰিদ্ৰ আৰু হীন জাতিৰ মানুহক আদৰ আৰু অধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগে বুলি মনুৱে কৈছে।[১৭]

শূদ্ৰৰ প্ৰতি থকা মনুৰ আদৰৰ অনেক উদাহৰণ পোৱা যায়। তৃতীয় অধ্যায়ত উল্লেখ আছে যে প্ৰথমে ব্ৰাহ্মণক আৰু আন আন অতিথি আৰু ভৃত্য (শূদ্ৰ) সকলক খুওৱাৰ পিছত যি অৱশিষ্ট থাকে, তাক দম্পতিয়ে খাব।[১৮] আকৌ কৈছে যে যদি বৈশ্য বা শূদ্ৰ অতিথিৰূপে ব্ৰাহ্মণৰ ঘৰলৈ আহে তেতিয়া তেওঁলোকক দয়া-ধৰ্মপূৰ্বক ভোজন কৰাব।[১৯] ২.১৩৭ ত কৈছে যে ধন, বন্ধু, আয়ু, কৰ্ম আৰু বিদ্যাৰ লগতে নব্বৈ বছৰৰ বেছি বয়সীয়া শূদ্ৰও সমানে সন্মানীয় হয়।[২০]

এইখিনিতে বিশেষ মন কৰিবলগীয়া কথা যে বেদৰ বাহিৰে কোনো প্ৰাচীন সংস্কৃত গ্ৰন্থই প্ৰক্ষেপৰ (যি মূল লেখকৰ লিখন নহয়) পৰা হাতসৰা নাই। বেদ হৈছে ঈশ্বৰীয় জ্ঞান আৰু সকলোবোৰ বিদ্যা ইয়াৰ পৰাই বহিৰ্ভূত। চাৰিও বেদক আধাৰ ৰূপত স্বীকাৰ কৰি ঋষি সকলে অন্য গ্ৰন্থ সমূহৰ প্ৰণয়ন কৰে। বেদৰ প্ৰামাণ্য অন্য সকলো গ্ৰন্থতকৈ অধিক। সেয়ে অন্য সকলো স্মৃতি, ব্ৰাহ্মণ-গ্ৰন্থ, মহাভাৰত, ৰামায়ণ, গীতা, উপনিষদ্, দৰ্শনশাস্ত্ৰ আদিৰ প্ৰামাণিকতা বেদৰ ওপৰতেই আধাৰিত। এই গ্ৰন্থ সমূহ যিমান দূৰলৈ বেদৰ অনুকূল সিমানলৈকেই সি মান্য, অন্যথা স্বীকাৰ্য নহ'ব।

মনুৱেও বেদকেই সকলো ধৰ্মৰ মূল বুলি কৈছে। 'যিবোৰ কৰ্তব্য, যাৰ যি কৰ্তব্যৰ কথা মনুৱে কৈছে সেই সকলোবোৰ বেদত কোৱা আছে, কাৰণ বেদ সমস্ত জ্ঞানেৰে পৰিপূৰ্ণ। সকলো শাস্ত্ৰ জ্ঞানচক্ষুৰে নিৰীক্ষণ কৰি বিদ্বান লোকে বেদক প্ৰমাণ হিচাপে ধৰি নিজ ধৰ্মত প্ৰবৃত্ত হ'ব লাগে।[২১]এইখিনি কথাৰ পৰা এইটো স্পষ্ট হৈ পৰে যে মূল মনুস্মৃতি সম্পূৰ্ণ বেদানুকূল আৰু ইয়াত বেদবিৰোধী যিমানবোৰ প্ৰসংগৰ অৱতাৰণা হৈছে সেই সকলোবোৰক প্ৰক্ষিপ্ত বুলিয়েই মানিব লাগিব।

বেদত ঈশ্বৰে কৈছে যে মোৰ জ্ঞান সকলোৰে বাবে সমান, সি লাগিলে পুৰুষ হওক বা নাৰী, ব্ৰাহ্মণ হওক বা শূদ্ৰ, সকলোৰে বেদ পঢ়াৰ আৰু যজ্ঞ কৰাৰ অধিকাৰ আছে।[২২] মনুস্মৃতিয়েও এই কথাই কয়। মনুৱে শূদ্ৰক উপনয়নৰ



পৰা বঞ্চিত কৰা নাই। বৰঞ্চ শিক্ষাৰ প্ৰতি বিমুখ সকলক শূদ্ৰ আখ্যা দিছে।

সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল যে যি মনুস্মৃতিত জন্মসূত্ৰে জাতি-ব্যৱস্থাৰ বিৰোধী অনেক শ্লোক পোৱা যায় সেই একেখন মনুস্মৃতিতে জাতি-ব্যৱস্থাৰ সমৰ্থনতো ইমানবোৰ শ্লোক কেনেকৈ? দৰাচলতে ই এক অত্যন্ত স্পৰ্শকাতৰ আৰু গহন গৱেষণাৰ বিষয়। থোৰতে ক'বলৈ গ'লে, বৰ্তমানে উপলব্ধ মনুস্মৃতিৰ পাঠ বাৰুকৈয়ে ভ্ৰষ্ট। ইয়াৰ আধাতকৈও শ্লোক প্ৰক্ষিপ্ত বুলি ইতিমধ্যে গৱেষক ডঃ সুৰেন্দ্ৰ কুমাৰে মনুস্মৃতিৰ প্ৰত্যেকটো শ্লোকৰ ভিন্ন-ভিন্ন ৰীতিৰে পৰীক্ষণ কৰি দেখুৱাইছে। মেকড'নেল, কীথ আদি অনেক পাশ্চাত্য বিদ্বানেও মনুস্মৃতিত অনেক প্ৰক্ষিপ্ত শ্লোক থকাৰ কথা কয়।

ওপৰৰ সংক্ষিপ্ত আলোচনাৰ পৰা এই নিষ্কৰ্ষতেই উপনীত হ'ব পাৰি যে মহৰ্ষি মনু কোনো প্ৰকাৰেই জন্মগত জাতি-ব্যৱস্থাৰ পৃষ্ঠপোষক নাছিল। গুণ-কৰ্ম-স্বভাৱৰ ওপৰতেই আধাৰিত মনুৰ বৰ্ণ-ব্যৱস্থা (জাতি-ব্যৱস্থা শব্দটো কোৱাটোৱেই ভুল হ'ব)। নিজৰ সুবিধা আদায়ৰ বাবে সমাজক বিপথে পৰিচালিত কৰা এক শ্ৰেণীৰ লোকেই দৰাচলতে আজিৰ জাতি-ব্যৱস্থাৰ প্ৰচলনৰ মূল গুৰি-ধৰোঁতা। ইয়াত মনুৰ দৰে এগৰাকী মহৰ্ষিক সমালোচনা কৰাৰ কোনো ধৰণৰ যুক্তিযুক্ততা নাই।

**প্ৰসঙ্গপঞ্জী ঃ**

১. ১.৯১, মনুস্মৃতি
২. ৩.১০৯, ঐ
৩. ২.১৩৬, ঐ
৪. ১০.৬৫, ঐ
৫. ৯.৩৩৫, ঐ
৬. ২.১০৩, ঐ
৭. ২.১৭২, ঐ
৮. ২.১৬৮, ঐ
৯. ২.১২৬, ঐ
১০. ২.২৩৮, ঐ
১১. ২.২৪১, ঐ
১২. ২.১৫৭, ঐ
১৩. ২.১৬১-১৬২, ঐ

১৪. ২.২৮, ঐ
১৫. ২.১৪৭-১৪৮, ঐ
১৬. ১০.৪, ঐ
১৭. ৪.১৪১, ঐ
১৮. ৩.১১৬, ঐ
১৯. ৩.১১২, ঐ
২০. ২.১৩৭, ঐ
২১. ২.৭-৮, ঐ
২২. ঋগ্বেদ ১০.৫৩.৪, যজুর্বেদ ২৬.১

প্ৰসঙ্গ গ্ৰন্থ ঃ


১. মনু-সংহিতা, অসমীয়া অনুবাদ, ডাঃ প্ৰফুল্ল নাৰায়ণ বৰুৱা, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, ২০০৩
২. ঋগ্বেদ-সংহিতা, নাগ পাব্লিকেশ্যনছ্, দিল্লী, ১৯৯৪
৩. যজুর্বেদ-সংহিতা, নাগ পাব্লিকেশ্যনছ্, দিল্লী, ১৯৯৪


ISSN : 2349-8943

# মনুসংহিতাত নাৰীৰ স্থান

**পিংকী চাংমাই**
স্নাতকোত্তৰ তৃতীয় বাৰ্ষিক, সংস্কৃত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়।

মনুষ্যজাতিৰ প্ৰথম পুৰুষ ভগৱান মনুৱে মনুসংহিতা ৰচনা কৰা বুলি জনা যায়। প্ৰায় পঞ্চাশখন স্মৃতিগ্ৰন্থৰ ভিতৰত মনুসংহিতা এখন প্ৰধান স্মৃতিগ্ৰন্থ। বাৰটা অধ্যায়ত বিভক্ত এই স্মৃতিগ্ৰন্থখন আচাৰ, ব্যৱহাৰ আৰু প্ৰায়শ্চিত্ত আদি বিভিন্ন বিষয়ৰ ওপৰত আধাৰিত। গ্ৰন্থখনৰ মুঠ শ্লোকৰ সংখ্যা ২৬৯০টা।

মনুসংহিতাত নাৰীৰ স্থান এই বিষয়ৰ সপক্ষে আৰু বিপক্ষে বিভিন্ন মত দেখিবলৈ পোৱা যায়। এই গ্ৰন্থত নাৰীক হেয়জ্ঞান কৰা হৈছে বুলি মুখে মুখে চলি আহিছে। বহুতেই আকৌ এই গ্ৰন্থই নাৰীক মুঠেও হেয়জ্ঞান কৰা নাই বুলি দাবী কৰে। সমাজত কেনে ধৰণৰ নাৰী অসৎ হিচাপে গণ্য কৰা হয় সেয়া দেখুৱাই দিয়াৰ লগতে নাৰীৰ সন্মানৰ দিশলৈকো সমানে চকু দিছে। পিতৃয়ে কন্যাক, স্বামীয়ে পত্নীক আৰু পুত্ৰই মাতৃক অৱমাননা কৰাটো চৰম অপৰাধ বুলিহে মনুসংহিতাত কোৱা হৈছে। যি ঠাইত নাৰীক অৱমাননা কৰা হয়, সেই ঠাই বা সমাজক অধম বুলি কোৱাৰ বিপৰীতে নাৰীক সন্মান কৰা ঠাই বা সমাজক উত্তম ৰূপেহে দেখুৱাইছে। আনকি পুত্ৰ আৰু কন্যা পিতা-মাতাৰ সমান আত্মা স্বৰূপ বুলি মত প্ৰকাশ কৰিছে। মনুসংহিতাত গৃহিণীকেই প্ৰকৃত ঘৰ বুলিও মতপোষণ কৰিছে— 'ন গৃহং গৃহমিত্যাহুঃ গৃহিণী গৃহমুচ্যতে।'[১] নাৰীক কৰা সন্মানৰ জ্বলন্ত উদাহৰণ মনুসংহিতাৰ এই শ্লোকটি —

যত্ৰ নাৰ্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্তু ন পূজ্যন্তে সৰ্বাস্তত্ৰাফলাঃ ক্ৰিয়াঃ।।[২]

অৰ্থাৎ যি কুলত নাৰীক পূজা বা সন্মান কৰা হয়, দেৱতাসকল সেই কুলৰ প্ৰতি

প্ৰসন্ন হয়। কিন্তু য'ত নাৰীক অপমান কৰা হয়, তাত যজ্ঞাদি সকলো কৰ্ম নিস্ফল হয়। ইয়াৰ পৰা আমি বুজিব পাৰোঁ যে মনুৱে শ্ৰেষ্ঠ আসন নাৰীকেই দিছে। নিজৰ ভগ্নী, পেহী, মাহী সকলো মাতৃতুল্য। তেওঁলোকক মাতৃৰ দৰে ব্যৱহাৰ কৰিব লাগে যদিও মাতৃ যে সকলোতকৈ শ্ৰেষ্ঠ সেই কথা মনুসংহিতাই স্পষ্ট ভাৱে প্ৰকাশ কৰিছে—

পিতুৰ্ভগিন্যাং মাতুশ্চ জ্যায়স্যাং চ স্বসৰ্য়পি।
মাতৃৱদ্‌বৃত্তিমাতিষ্ঠেন্মাতা তাভ্যো গৰিয়সী।।[৩]

এগৰাকী কন্যা বিয়া হৈ যেতিয়া এটা নতুন কুললৈ যায়, সেই কুলত ন বোৱাৰী গৰাকীক কোনোধৰণৰ কষ্ট নোপোৱাকৈ আনন্দেৰে ৰাখিব পৰাটো গৌৰৱৰ কথা। কাৰণ তেনেকৈ ৰাখিলে সেই কুলটোৰ শ্ৰীবৃদ্ধি হয়। বৰ্তমান সময়তো মনুৰ এই কথাৰ গুৰুত্ব ভালকৈয়ে প্ৰতিফলিত হৈছে। ন-বোৱাৰী এগৰাকীক গালি-শপনি পৰা, অসন্মান কৰা, ক্লেশত ভোগাই কষ্ট দিয়া, আদি কামে সেই ঘৰখনৰ বা কুলৰ অপযশ মাতি আনে।এগৰাকী বোৱাৰীয়ে এখন ঘৰত আদৰ-সন্মান, মৰম, অধিকাৰ সকলো পাব লাগে। নাৰীৰ মৰ্যাদাৰ প্ৰতি পুৰুষক সচেতন কৰিবৰ বাবে আৰু নাৰীক ৰক্ষণা-বেক্ষণ দিয়াটো যে পুৰুষৰ কৰ্তব্য এই কথা বুজাবৰ বাবেই এই সংহিতাত কৈছে যে স্ত্ৰী সদায় বাল্যকালত পিতাৰ, যৌৱনত পতিৰ আৰু বৃদ্ধাৱস্থাত পুত্ৰত অধীন—

ৱাল্যে পিতৃৰ্ৱশে তিষ্ঠেৎ পাণিগ্ৰাহস্য যৌৱনে।
পুত্ৰাণাং ভৰ্তৰি প্ৰেতে ন ভজেৎ স্ত্ৰী স্বতন্ত্ৰতাম্।।[৪]

আনহাতে নাৰীকো তেওঁৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিছে এই গ্ৰন্থই। ইয়াত কৈছে যে দেৱতাৰ দৰে পতিক সেৱা কৰাটো নাৰীৰ মহৎ ধৰ্ম। ইয়াৰ সমান আৰু কোনো যজ্ঞ নাই, কোনো ব্ৰতো নাই।

নাস্তি স্ত্ৰীণাং পৃথক্ যজ্ঞো ন ব্ৰতং নাপ্যুপোষণম্।
পতিং শুশ্ৰূষতে য়েন তেন স্বৰ্গ মহীয়তে।।[৫]

স্ত্ৰীৰ ধৰ্মৰ বিষয়ে ক'বলৈ গৈ মনুসংহিতাত এনে কিছুমান শ্লোকৰ অৱতাৰণা কৰিছে যে তাৰ পৰা সাধাৰণ দৃষ্টিত মনুৱে নাৰীক দমন কৰা যেন ধাৰণা হয়। তেনে এটি শ্লোকৰ উদাহৰণ হ'ল—

কামং তু ক্ষপয়েদ্দেহং পুষ্পমূলৈৰ্ফলে শুভৈঃ।
নতু নামাপি গৃহ্নীয়াৎ পত্যো প্ৰেতে পৰস্য তু।।[৬]



আসীতা মৰণাৎ ক্ষান্তা নিয়ন্তা ব্ৰহ্মচাৰিণী।
য়ো ধৰ্ম এক পত্নীনাং কাংক্ষন্তি তমনুত্তমম্।।[৭]

পত্নীৰ মৃত্যুৰ পাছত যদি পতিয়ে কোনো ব্ৰত পালন কৰিব নোৱাৰে তেনে নাৰীয়ে এনে ব্ৰতৰ সন্মুখীন হোৱাটো বহুতৰ বাবেই বিশেষকৈ সাম্প্ৰতিক কালত সমৰ্থন যোগ্য নহয়। স্বামীৰ মৃত্যুৰ পাছত স্ত্ৰীয়ে যিদৰে ব্ৰহ্মচৰ্যত ব্ৰতী থাকে, তেনেদৰে পুৰুষো যদি পত্নীৰ মৃত্যুৰ পাছত তেনে ব্ৰতত ব্ৰতী থাকে, তেনেহ'লে মনুসংহিতাই নাৰীক দমন কৰি ৰখা কথাষাৰৰ ইমান ব্যাপক প্ৰচাৰ নহ'লহেঁতেন। কিন্তু মনুসংহিতাত পত্নীৰ মৃত্যু হ'লে অন্তিম কাৰ্য সমাধা কৰি পুৰুষে দ্বিতীয় বাৰৰ বাবে পাণিগ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰিছে।

ভাৰ্যায়ৈ পূৰ্বমাৰিণ্যৈ দত্বাগ্নীনন্ত্য কৰ্মণি।
পুনৰ্দাৰ ক্ৰিয়াং কুৰ্যাৎ পুনৰাধান সেৱ চ।।[৮]

সাম্প্ৰতিক কালত নাৰীশিক্ষাৰ ব্যাপকতা, স্ত্ৰী-পুৰুষৰ সমানাধিকাৰ তথা নাৰীৰ স্বাধীনতাৰ বাবে বিশ্বই মাত মতাৰ সময়ত মনুসংহিতাৰ এনে নীতিসমূহ যুক্তি-যুক্ত বুলি গ্ৰহণ কৰাত নিশ্চয় অসুবিধা হয়। কিন্তু নাৰীক অত্যাচাৰ কৰা পুৰুষৰ ক্ষেত্ৰত মনুসংহিতাই নিৰ্দ্ধাৰিণ কৰি দিয়া শাস্তি সমূহ মন কৰিলে বুজি পোৱা যায় যে মনুৱে স্ত্ৰীৰ সন্মানৰ দিশৰ ক্ষেত্ৰতো সমানেই গুৰুত্ব প্ৰদান কৰিছে। পৰপুৰুষৰ লগত সম্পৰ্ক কৰা এগৰাকী নাৰী যিদৰে নিন্দিত হয় তেনেদৰে পৰস্ত্ৰীৰ লগত সম্পৰ্ক কৰা পুৰুষো সমানে নিন্দিত হোৱাৰ যোগ্য। উল্লেখযোগ্য যে পৰস্ত্ৰীক সম্ভোগ কৰা লোকক ৰজাই নাক-কাণ কাটি শাস্তি দি দেশৰ পৰা বাহিৰ কৰি দিয়াৰ কথা এই সংহিতাৰ অষ্টম অধ্যায়ত উল্লেখ আছে। তদুপৰি চাৰিওটা বৰ্ণৰ লোকেই সদায় সকলো বস্তুতকৈ স্ত্ৰীক প্ৰধানভাৱে ৰক্ষা কৰিব লাগে বুলিও এই গ্ৰন্থই মত প্ৰকাশ কৰিছে।

চতুৰ্ণামপি বৰ্ণানাং দাৰা ৰক্ষতমাঃ সদা।।[৯]

কোনো কন্যাক বলাৎকাৰ কৰিলে সেই লোকক মৃত্যুদণ্ড দিয়াৰ কথাও প্ৰকাশ কৰিছে মনুৱে।

য়োऽকামাং দূষয়েৎ কন্যাং স সদ্যো ৱধমৰ্হতি।
সকামাং দূষয়ংস্তুল্যো ন বধং প্ৰাপ্নুয়ান্নৰঃ।।[১০]

মনুসংহিতাৰ অষ্টম অধ্যায়ত শাস্তি বিধান বিষয়ত পুৰুষ আৰু স্ত্ৰীয়ে কৰা দোষৰ শাস্তি কেনেধৰণৰ হ'ব তাৰ বৰ্ণনা কৰা আছে। পৰস্ত্ৰী বা পৰপুৰুষৰ

লগত সম্পৰ্ক কৰিলে তাৰ শাস্তি অতি ভয়ঙ্কৰ। জোৰ-জুলুম কৰি কন্যাৰ যোনিত আঙুলীৰে ভ্ৰষ্ট কৰা জনক শীঘ্ৰে দুটা আঙুলি কাটি আৰু দশ পণ জৰিমনা ভৰাব লগাৰ কথা উল্লেখ আছে। যদি কোনো কন্যাই বেলেগ কন্যাক কৰে তেন্তে দোষী কন্যাই ৰজাক দুশ পণ দণ্ড, ভ্ৰষ্ট হোৱা কন্যাৰ পিতৃক চাৰিশ পণ জৰিমনা ভৰিব লাগিব। তদুপৰি দোষী কন্যাক ৰজাই বেতৰ আঘাতেৰে শাস্তি দিয়াৰ কথাও ইয়াত পোৱা যায়। আকৌ, কোনো তিৰোতাই যদি কন্যাৰ লগত এনে কৰে তেতিয়া তেনে তিৰোতাৰ মূৰৰ চুলি খুৰাই, দুটা আঙুলি কাটি, গাধৰ পিঠিত তুলি, ৰাস্তাত শাস্তি দিয়াৰ কথাও উল্লেখ আছে। যি তিৰোতাই নিজৰ ৰূপ, গুণ আৰু পিতৃৰ ধন-সম্পত্তিৰ বাবে অহংকাৰ কৰি নিজৰ পতিক এৰি পৰপুৰুষৰ সঙ্গ লয়, সেই তিৰোতাক সমাজৰ মাজত কুকুৰৰ দ্বাৰা কামোৰাব। ঠিক তেনেদৰে পৰস্ত্ৰীগামী পুৰুষক গৰম লোহাৰ শয্যাত শুৱাই খৰি দি জ্বলাই দিয়াৰ দৰে ভয়ঙ্কৰ শাস্তিৰ উল্লেখো এই গ্ৰন্থত পোৱা যায়।

নাৰী যিহেতু বাল্যাৱস্থাত পিতৃ, যৌৱনাৱস্থাত পতি আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ অধীন বুলি কোৱা হৈছে গতিকে যথা সময়ত বিয়া নিদিলে পিতা, যৌৱনত সংগ নিদিলে পতি আৰু পতিৰ মৃত্যুৰ পাছত ৰক্ষা নকৰিলে পুত্ৰ নিন্দনীয় হয়। এই নিয়মে পিতা, পতি আৰু পুত্ৰক দায়িত্বৰ বিষয়ে সাঁকিয়াই দিছে এই শাস্ত্ৰই। নাৰীক সকলোফালৰ পৰাই ৰক্ষা কৰিব লাগে। সেয়ে নহ'লে পিতৃকুল আৰু স্বামীকুল উভয়েই কলঙ্কিত হ'ব পাৰে।

সূক্ষ্মেভ্যোঽতি প্ৰসঙ্গেভ্যঃ স্ত্ৰিয়ো ৰক্ষা বিশেষতঃ।
দ্বয়োৰ্হি কুলয়োঃ শোকমাৱহেয়ুৰৰক্ষিতাঃ।।[১১]

সেয়ে শাৰীৰিকভাৱে দুৰ্বল আৰু বেমাৰী স্বামীয়েও স্ত্ৰীক ৰক্ষা কৰিব লাগে। প্ৰকৃততে স্ত্ৰীক ৰক্ষা কৰা পুৰুষৰ বাবে উত্তম ধৰ্ম। স্ত্ৰীৰ ৰক্ষাত যত্নশীলজনে সন্তান, চৰিত্ৰ, কুল, আত্মা আৰু ধৰ্মকো ৰক্ষা কৰিব পাৰে। পত্নীৰ গৰ্ভত বীৰ্যৰূপে পতিয়ে প্ৰৱেশ কৰি সন্তানৰূপে জন্ম লয় বাবেই পত্নীক জায়া বোলা হয়।

পতিৰ্ভাৰ্যাং সংপ্ৰৱিশ্য গৰ্ভো ভূত্বেহ জায়তে।
জায়ায়াস্তদ্ধি জায়াত্বং য়দস্যাং জায়াতে পুনঃ।।[১২]

কিন্তু স্ত্ৰীক বন্ধ্যা বুলি ঘৰৰ চাৰিবেৰ আৰু সম্বন্ধীয় লোকৰ আবেষ্টনীত বন্দী কৰি থ'লে প্ৰকৃত ৰক্ষণ নহয়। নাৰীসকলে নিজেও নিজক ৰক্ষা কৰিব লাগে।



নিজকে ৰক্ষা কৰি থকা সকলেহে প্ৰকৃততে সুৰক্ষিত হৈ থাকে।

মনুসংহিতাত পৰপত্নী বা সম্বন্ধ নথকা তিৰোতাক 'ভৱতী সুভগে' অথবা ভগিনী বুলি সম্বোধন কৰাৰ কথা উল্লেখ আছে। মাহী, মামী, শাহু, পেহী আদিক গুৰুপত্নীৰ দৰে সন্মান কৰিব লাগে। বৌ, খুৰী, শাহু আদিক ভৰি চুই সম্ভাষণ কৰাৰ কথাও এই গ্ৰন্থত কোৱা হৈছে।

মাতৃস্বাসা মাতুলানী শ্বশ্ৰূৰথ পিতৃস্বসা।
সংপূজ্যা গুৰুপত্নীৱলমান্তা গুৰুভাৰ্যয়া।।[১৩]
ভ্ৰাতুৰ্ভাৰ্যোপসংগ্ৰাহ্যা সৰ্বৰ্ণাঽন্যঽন্য পি।
ৱিপ্ৰোষ্য তুপসংগ্ৰাহ্যা জ্ঞাতি সম্বন্ধি য়োষিতঃ।।[১৪]

এনেধৰণৰ শ্লোকৰ পৰা আমি বুজোঁ যে নাৰীক শাসনত ৰাখিবলৈ যেনেদৰে কেতবোৰ নীতি-নিয়মৰ উদ্ধৃতি আছে তেনেদৰে মনুসংহিতাত নাৰীক সন্মান কৰা তথা নাৰীক শ্ৰেষ্ঠ স্থানত ৰখাৰো কেতবোৰ নীতি নিৰ্দ্ধাৰণ কৰি দিয়া আছে। 'ন অৰিঃ ইতি নাৰীঃ' — অৰ্থাৎ নাৰী কাৰো শত্ৰু হ'ব নোৱাৰে। স্ত্ৰী শব্দৰো যদি বৰ্ণ বিশ্লেষণ কৰোঁ তেতিয়া 'স্+ত্+ৰ্+ঈ' এই বৰ্ণ কেইটা পাওঁ আৰু ইয়াৰ অৰ্থ এনেদৰে দিব পাৰি যে যাৰ ভিতৰত সত্ত্ব, ৰজঃ আৰু তমঃ গুণৰ সমাহাৰ বৰ্তি থাকে তেঁৱেই স্ত্ৰী। এই আলোচনাৰ পৰা মনুসংহিতাত নাৰীক যে সদায় এক সন্মানীয় স্থানত হে ৰখাৰ প্ৰচেষ্টা কৰিছিল সেই কথা সহজে অনুমান কৰিব পাৰি।○

প্ৰসঙ্গ পঞ্জী ঃ


(১) [illegible], মহাভাৰত, শান্তিপৰ্ব
(২) তথা, ৩-৫৬
(৩) তথা, ২-১৩৩
(৪) তথা, ৫-১৪৮
(৫) তথা, ৫-১৫৫
(৬) তথা,৫-১৫৭
(৭) তথা,৫-১৫৮
(৮) তথা,৫-১৬৮
(৯) তথা, ৮-৩৫৯
(১০) তথা, ৮-৩৬৪

(১১) তথা, ৯-৫
(১২) তথা, ৯-৮
(১৩) তথা, ২-১৩১
(১৪) তথা, ২-১৩২


প্ৰসঙ্গ-গ্ৰন্থ ঃ

(১) শাস্ত্ৰী, জগদীশলাল,মনুস্মৃতি, মতিলাল বেনাৰসীদাস, তৃতীয় সংস্কৰণ, ১৯৯৬
(২) বৰুৱা, ডাঃ প্ৰফুল্ল নাৰায়ণ, মনুসংহিতা, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০৩
(৩) শৰ্মা, কিৰণ, মনুসংহিতা, অসম বেদ বিদ্যালয়, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৬
(৪) গোস্বামী, হৰমোহন, সংস্কৃত সাহিত্যৰ বুৰঞ্জী, বুকলেণ্ড, পঞ্চম প্ৰকাশ, ২০০৮
(৫) পাণ্ডেয়, সংস্কৃত (UGC NET/JRF/SET) উপকাৰ প্ৰকাশন
(৬) Patwari, Hriday N, The status of women as depicted by Manu in the Manusmriti, August 27, 2011 (Internet)
(৭) খনাল মিনাক্ষী, মাতৃ শক্তি, জ্ঞান সোপানম্, সংস্কৃত ভাৰতী, সংস্কৃতোৎসৱ বিশেষ সংখ্যা, চেপ্তেম্বৰ ২৫, ২০১৬


ISSN : 2349-8943

# 'মনু-সংহিতা'ত প্ৰতিফলিত পৈতৃক সম্পত্তি বিভাজনৰ স্বৰূপ আৰু বিধি


**ডলী চুতীয়া**

গৱেষক ছাত্ৰী, অসমীয়া বিভাগ

ডিব্ৰুগড় বিশ্ববিদ্যালয়



**সংক্ষিপ্ত সাৰ ঃ**

ব্যক্তি-জীৱন আৰু সামাজিক জীৱনৰ নৈতিক আৰু আধ্যাত্মিক দিশত শিক্ষাদানৰ ক্ষেত্ৰত মনু-সংহিতা হ'ল এখন নীতিমূলক গ্ৰন্থ। মনু-সংহিতা হৈছে মানৱ জীৱৰ জীৱনবোধ আৰু নতুন নতুন অভিজ্ঞতাৰে পুষ্ট নীতি শিক্ষাৰ ভঁৰাল। মনু-সংহিতা বা মনুস্মৃতিত একাদিক্ৰমে বিবৃত হৈছে মানৱ জীৱন পৰিক্ৰমাৰ সমগ্ৰ আৱশ্যকীয় বিষয়বোৰ। ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পৰম্পৰাগত বিধি, ন্যায়-অন্যায়, শাসন-ব্যৱস্থা, শিক্ষা-দীক্ষা আদি বিষয়ৰে ভৰপূৰ মনু-সংহিতা। গ্ৰন্থখনৰ প্ৰতিটো অধ্যায়তে মানৱ জীৱনৰ প্ৰয়োজনীয় বিষয়বস্তু সম্পৰ্কে তত্ত্বগত আলোচনা কৰিছে। নৱম অধ্যায়ত স্ত্ৰী-ধৰ্মৰ উপৰি পৈতৃক সম্পত্তি বিভাজনৰ নিয়মাৱলীৰ বিষয়ক পুংখানুপুংখভাৱে বিৱৰণ পোৱা যায়। তদুপৰি এই ধৰ্মশাস্ত্ৰত পৈতৃক সম্পত্তিক 'দায়ভাগ' বুলি কোৱা হৈছে। আলোচ্য বিষয়টোত সম্পত্তি বিভাজনৰ স্বৰূপ আৰু বিধিসমূহৰ সম্পৰ্কে বিচাৰ বিশ্লেষণ কৰা হ'ব।


বীজ শব্দ ঃ **দায়ভাগ, নিয়ম**

## ১.০ বিষয়ৰ পৰিচয় ঃ

ভাৰতীয় ইতিহাসত উত্তৰ বৈদিক কালত যেতিয়া জনসমুদায় স্থায়ীভাৱে সমাজ পাতি বসবাস কৰিবলৈ ল'লে তেতিয়াই ধন সম্পত্তিৰ সংগ্ৰহৰ প্ৰথা প্ৰচলন হ'বলৈ ধৰিলে। ইয়াৰ লগে লগে এই ধন সম্পত্তি সমাজত সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কিছুমান বিধি বিধানৰ প্ৰয়োজন হ'ল। তদুপৰি

এনে সম্পত্তিৰ উত্তৰাধিকাৰ কোন হ'ব তথা ভ্ৰাতৃসকলৰ মাজত সম্পত্তি বিভজনৰ প্ৰক্ৰিয়া কেনেধৰণৰ হ'ব ইত্যাদি প্ৰশ্নবোৰে গা কৰি উঠিল। এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি বৈদিক কালত মন্ত্ৰ-দ্ৰষ্টা ঋষিসকলে কিছুমান প্ৰকৃতিগত অনুশীলন তথা অভিজ্ঞতাৰে সমাজৰ কল্যাণ কামনাৰে কিছুমান বিধি বিধানৰ নিৰ্দেশ দিলে। সমাজ কল্যাণমূলক বিধি-বিধান সম্পৰ্কীয় শিক্ষাৰে পূৰ্ণ গ্ৰন্থবোৰেই হ'ল নীতিশাস্ত্ৰ।

সম্পত্তি বিভাজন তথা দায়ভাগ হিন্দু ধৰ্মৰ এটা বংশ পৰম্পৰাগত বিধান। বেদ, মিতাক্ষৰা[১], দায়ভাগ[২] মনুস্মৃতি আদি প্ৰাচীন গ্ৰন্থবোৰত দায়ভাগৰ বিধি-বিধানৰ উল্লেখ পোৱা যায়। আনুমানিক খ্ৰীষ্টীয় প্ৰথম শতিকাৰপৰা দ্বিতীয় শতিকাৰ ভিতৰত ৰচিত হৈছিল মনুস্মৃতি।[৩] মনু-সংহিতা ভাৰতীয় মনীষাত ধৰ্মশাস্ত্ৰৰূপে স্বীকৃত। ধৰ্মশাস্ত্ৰৰ নতুন নতুন বিধি নিয়মেৰে সম্পৃক্ত এই গ্ৰন্থখন মনুষ্য জীৱনৰ আৱশ্যকীয় নিয়মাৱলীৰে পূৰ্ণ। এই আলোচনাত 'মনু-সংহিতাত প্ৰতিফলিত পৈতৃক সম্পত্তি বিভাজনৰ স্বৰূপ'— শীৰ্ষক বিষয়টোৰ সম্পৰ্কে পৰ্যালোচনা কৰা হ'ব।

**১.২ বিষয় আলোচনাৰ পদ্ধতি ঃ**

"মনু-সংহিতা'ত প্ৰতিফলিত পৈতৃক সম্পত্তি বিভাজনৰ স্বৰূপ' সম্পৰ্কে আলোচনা কৰোঁতে ঐতিহাসিক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। ঐতিহাসিক পদ্ধতিৰ ক্ষেত্ৰত ভাৰতীয় সমাজ-জীৱনৰ ধ্যান-ধাৰণাসমূহ ইতিহাসৰ ভিত্তিত মূল্যায়ণ কৰাৰ বিপৰীতে আলোচ্য বিষয়সমূহ পৰ্যালোচনা কৰোঁতে বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

**২.০ পৈতৃক সম্পত্তি বিভাজনৰ স্বৰূপ ঃ**

ধৰ্ম গ্ৰন্থবোৰত বিভাজ্য পৈতৃক সম্পত্তিবোৰক 'দায়ভাগ' বুলি কোৱা হয়। বৈদিক কালত প্ৰধানকৈ 'দায়' শব্দ প্ৰয়োগ কৰা হৈছিল। আচাৰ্য সায়ণে 'দায়' শব্দটোৰ অৰ্থ কেৱল ইচ্ছাপত্ৰৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিছিল। মনু-সংহিতাত বংশ পৰম্পৰা অনুসৰি প্ৰাপ্ত সম্পত্তিকে 'দায়' বুলি কোৱা হৈছে।[৪] পূৰ্বপুৰুষৰ মৃত্যুৰ পিছত যিজন ব্যক্তি সম্পত্তিৰ অধিকাৰী হ'ব, সেই সম্পত্তিৰ ক্ষেত্ৰতে 'দায়ভাগ' শব্দটো প্ৰয়োগ কৰা হৈছিল। 'দায়' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হ'ল— ই 'দা' ধাতুৰপৰা আহিছে, যাৰ অৰ্থ হ'ল যি দিয়া হয়, সেয়াই দায় বা দান।



এইক্ষেত্ৰত দুটা কথা জড়িত হৈ আছে— দাতাজনৰ অধিকাৰ নিচ্ছিন্ন আৰু গ্ৰহণকৰ্তাৰ অধিকাৰ প্ৰাপ্ত।

মিতাক্ষৰাত দায় উপযোগী সম্পত্তিক দুটা ভাগত বিভাজন কৰা হয়—

ক) অপ্ৰতিবন্ধ দায়

খ) স্বপ্ৰতিবন্ধ দায়

**ক) অপ্ৰতিবন্ধ দায় ঃ**

অপ্ৰতিবন্ধ দায় হৈছে ব্যক্তিয়ে এটা কুলত জন্ম লৈ মাত্ৰ সেই কুলৰে পৈত্ৰিক সম্পত্তি নিজৰ সম্বন্ধৰদ্বাৰা অধিকাৰ প্ৰাপ্ত হয়। অৰ্থাৎ পুত্ৰ, পৌত্ৰ তথা পৰিপৌত্ৰই নিজৰ পিতা, পিতামহ আৰু প্ৰপিতামহৰপৰা বংশ পৰম্পৰা অনুসৰি পৈত্ৰিক সম্পত্তি গ্ৰহণ কৰিব পাৰে। পিতা তথা পিতামহৰ সম্পত্তি বিভাজনত কোনোধৰণৰ বাধা বা প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'বলগীয়া নহয়, তেনে সম্পত্তিকে অপ্ৰতিবন্ধ সম্পত্তি বা দায় বুলি কোৱা হয়।

**খ) স্বপ্ৰতিবন্ধ দায় ঃ**

যদি কোনো ব্যক্তিয়ে তেওঁৰ খুৰা, ভাই, ভতিজা, মামা আদিৰ সম্পত্তি গ্ৰহণ কৰে সেই সম্পত্তিক স্বপ্ৰতিবন্ধ দায় বুলি কোৱা হয়। কাৰণ এনে সম্পত্তি সেই ব্যক্তিসকলে উত্তৰাধিকাৰীৰ অভাৱৰ বাবে লাভ কৰে। সন্তানহীন অথবা পুত্ৰৰ মৃত্যুৰ পিছত নাইবা সম্পত্তিৰ পূৰ্বপুৰুষৰ মৃত্যুৰ পিছত অন্য ব্যক্তিক দায়ভাগ সম্প্ৰদান কৰা সিদ্ধান্তক উপৰমচৰ্তবাদ বুলি কোৱা হয়। ইয়াৰ বিপৰীতে বংশ পৰম্পৰা অনুসৰি পৈতৃক সম্পত্তি পুত্ৰ বা পৌত্ৰক দান কৰা সিদ্ধান্তক জন্মচৰ্তবাদ বুলি কোৱা হয়।

নিজৰ পিতৃ জীৱিত অথবা মৃত্যুৰ পিছত লাভ কৰা সম্পত্তিক পৈতৃক সম্পত্তি বুলি কোৱা হয়। এই সম্পত্তিৰ উপৰিও অতিৰিক্ত অন্য লোকৰপৰা গ্ৰহণ কৰা সম্পত্তিক পৃথক সম্পত্তি বুলি কোৱা হয়। তদুপৰি স্বআৰ্জিত ধন-সম্পত্তিও পৃথক সম্পত্তি বুলি গণ্য কৰা হয়।

**৩.০ মনু-সংহিতাত প্ৰতিফলিত পৈতৃক সম্পত্তি বিভাজন নিয়মাৱলী ঃ**

মনু-সংহিতাত বিভাজ্য পৈতৃক সম্পত্তিৰ আইনৰ বিষয়ে কওঁতে পৈতৃক সম্পত্তি কেতিয়া ভাগ কৰিব লাগে, কি প্ৰকাৰে এই সম্পত্তিবোৰ ভাগ কৰা হয়, কেনেধৰণে ভাগ কৰা উচিত ইয়াৰ বিধি বিধানবোৰ মনু-সংহিতাত

বৰ্ণনা কৰা হৈছে। পিতৃ-মাতৃৰ মৃত্যুৰ পাছতহে উত্তৰাধিকাৰীয়ে পৈতৃক সম্পত্তি অধিকাৰী হ'ব পাৰিব বুলি কৈছে।

## ৩.১ সম্পত্তি বিভাজনৰ বিধি বিধান ঃ

### ৩.১.১ জ্যেষ্ঠ পুত্ৰৰ বিশেষ ভাগ ঃ

মনু-সংহিতাত জ্যেষ্ঠ পুত্ৰক অন্য পুত্ৰৰ তুলনাত অধিক গুৰুত্ব দিছিল। কাৰণ জ্যেষ্ঠ পুত্ৰ হোৱাৰ লগে লগে মানুহ পুত্ৰৱান হয় আৰু পিতৃসকল ঋণৰপৰা মুক্ত হৈ যায় বুলি সেই সময়ত বিশ্বাস আছিল। সেই কাৰণে পিতাৰ সম্পূৰ্ণ ধন জ্যেষ্ঠ পুত্ৰই অধিকাৰ কৰিছিল। জ্যেষ্ঠ পুত্ৰক ধৰ্মপুত্ৰ বুলি কোৱা হৈছিল। পিতৃৰ মৃত্যুৰ পাছত সেই সম্পত্তি জ্যেষ্ঠ সন্তানে গ্ৰহণ কৰিছিল আৰু ভ্ৰাতৃসকলে তেওঁক পিতৃৰ দৰে সন্মান কৰিছিল। ৫ জ্যেষ্ঠজনৰ সৈতে সমিল-মিলেৰে থকাৰ সময়ত তেওঁ ভ্ৰাতৃসকলক নিজৰ ধৰ্মৰ অনুসৰিয়ে সৎ ব্যৱহাৰ কৰিছিল। ভ্ৰাতৃসকলেও তেওঁক পিতৃ-মাতৃৰ দৰে পূজনীয় বুলি সন্মান কৰিছিল। কাৰণ সেই সময়ত যৌথ পৰিয়ালকেন্দ্ৰিক ব্যৱস্থা আছিল। ককাই-ভাইসকলৰ মাজত থকা একতাই আছিল পৰিয়ালৰ মূল কাঠামো। অৱশ্যে ইচ্ছা কৰিলে তেওঁলোকে সমিল-মিলেৰে সম্পত্তি বিভাজন কৰিব পাৰে। এই বিভাজনত সম্পূৰ্ণ পৈতৃক সম্পত্তিৰ বিশ ভাগৰ এক অংশ আৰু বস্তুৰ উত্তমবোৰ জ্যেষ্ঠজনে আৰু তাৰ আধা বা চল্লিশ ভাগৰ এক অংশ মাজু ভায়েকে আৰু চতুৰ্থভাগ অৰ্থাৎ আশী ভাগৰ এক অংশ সৰু ভায়েকে পাইছিল। জ্যেষ্ঠজনে সকলো ধনৰপৰা উত্তম, সকলো বস্তুৰপৰা উত্তম বস্তু আৰু দহটা পশুৰপৰা এটা উত্তম পশু লৈছিল। অৱশ্যে সকলো ককাই-ভাই সমান গুণবিশিষ্ট হ'লে জ্যেষ্ঠজনে উত্তম বস্তুবোৰ গ্ৰহণ কৰিব নোৱাৰিছিল।

### ৩.১.২ বহু পত্নীৰ সন্তানৰ ক্ষেত্ৰত সম্পত্তিৰ ভাগ ঃ

যদি প্ৰথম পত্নীৰ সন্তান দ্বিতীয়া পত্নীৰ সন্তানতকৈ পাছত জন্ম লাভ কৰে তেতিয়া সেই সন্তানসকলৰ মাজত সম্পত্তি বিভাজনৰ নিয়ম সুকীয়া আছিল। জ্যেষ্ঠা পত্নীৰ সন্তান সৰু হ'লেও এটা ভাল বলদ বেচিকৈ লাভ কৰিছিল। অন্য পত্নীসকলৰ সন্তানে তুলনামূলকভাৱে নিকৃষ্ট বলদবোৰ সম্পত্তি ৰূপে ভাগত লাভ কৰিছিল। পত্নীসকলৰ জ্যেষ্ঠতা অনুযায়ী তেওঁলোকৰ সন্তানৰ মাজত সম্পত্তি বিভাজন হৈছিল।



### ৩.১.৩ পুত্ৰিকা-সন্তানৰ সম্পত্তিৰ ভাগ ঃ

পুত্ৰহীন লোকে নিজৰ কন্যা সন্তানক অন্যলৈ বিয়া দিওঁতে পুত্ৰিকাং কৰি লৈছিল। অৰ্থাৎ "এই কন্যাৰ যিবোৰ পুত্ৰ হ'ব, তেওঁলোকে মোৰ শ্ৰাদ্ধ কৰিব" বুলি পিতৃয়ে চৰ্ত কৰি লয়। এই প্ৰথা প্ৰথমে ৰজা দক্ষই নিজৰ বংশ বৃদ্ধিৰ বাবে প্ৰচাৰ কৰিছিল। পুত্ৰিকা কন্যা সন্তানৰ সম্পত্তি বিভাজনৰ নিয়মো সুকীয়া হয়। পুত্ৰিকাৰ পুত্ৰই পুত্ৰহীন লোকৰ সকলো সম্পত্তি লাভ কৰিছিল। জী-নাতিয়ে পিতাকৰ আৰু পিতামহৰ দুয়োৰে পিণ্ড দিব পাৰিছিল। পৌত্ৰ ( পো-নাতি) আৰু দৌহিত্ৰৰ(জী-নাতি) মাজত কোনো পাৰ্থক্য নাছিল। পুত্ৰিকা কৰি লোৱাৰ পাছত পুত্ৰহীন লোকৰ পুত্ৰ হ'লে পুত্ৰিকাৰ সন্তানে জ্যেষ্ঠতা নাপাইছিল। দুয়োৰে মাজত সম্পত্তিৰ ভাগ সমান আছিল। অৱশ্যে পুত্ৰহীন হৈ পুত্ৰিকাৰ মৃত্যু হ'লে তেওঁৰ স্বামীয়েই সেই ধনৰ অধিকাৰী হৈছিল।

### ৩.১.৪ তোলনীয়া পুত্ৰৰ সম্পত্তিৰ ভাগ ঃ

তোলনীয়া পুত্ৰক 'দত্তক পুত্ৰ' বুলি কোৱা হয়। দত্তক পুত্ৰ অন্য গোত্ৰৰ হ'লেও সৰ্বগুণসম্পন্ন হ'লে তেওঁ পিতৃৰ সকলো সম্পত্তি অধিকাৰ পাইছিল। জন্মদাতা পিতৃৰ ওপৰত তেওঁৰ কোনো অধিকাৰ নাছিল। দত্তক পুত্ৰই যাৰ আশ্ৰয়ত ডাঙৰ-দীঘল হয় তেওঁৰেই উপাধি গ্ৰহণ কৰিছিল আৰু সেই পিতৃৰ পিণ্ড দিছিল।

### ৩.১.৫ ক্ষেত্ৰজ আৰু ঔৰসজাত সন্তানৰ সম্পত্তিৰ ভাগ ঃ

শাস্ত্ৰৰ নিয়ম অনুসৰি পত্নীয়ে অন্য পুৰুষৰপৰা পুত্ৰ সন্তান জন্ম দিলে, তেওঁ স্ত্ৰীৰ স্বামীৰ ক্ষেত্ৰজ সন্তান হয়। ক্ষেত্ৰজ সন্তান আৰু ঔৰসজাত সন্তানৰ সম্পত্তিৰ ভাগ সমান সমান আছিল। কিন্তু জাৰজ বা কামজ সন্তানে পৈতৃক সম্পত্তি নাপাইছিল।

### ৩.১.৬ অন্য বৰ্ণৰ পত্নীসকলৰ সন্তানৰ সম্পত্তিৰ ভাগ ঃ

এজন ব্ৰাহ্মণ ব্যক্তিৰ চাৰিওটা বৰ্ণৰ পত্নী থাকিলে তেওঁলোকৰ সন্তানৰ সম্পত্তি বিভাজনৰ নিয়ম বেলেগ আছিল। ব্ৰাহ্মণীৰ সন্তানে সম্পূৰ্ণ ধনৰ তিনি ভাগ, ক্ষত্ৰীয়ানীৰ সন্তানে দুভাগ , বৈশ্যৰ সন্তানে দেৰভাগ আৰু শূদ্ৰাৰ সন্তানে এভাগ পাইছিল। ব্ৰাহ্মণীৰ সন্তানে খেতি কৰা সঁজুলি, এটা বলদ, এজনী গাই, এটা ভাল ঘোঁৰা, এটা ভাল ঘৰ, অলংকাৰ আৰু খেতিৰ ভাল অংশৰ মাটি

পাইছিল। কাৰণ এই পুত্ৰই পিণ্ড দি পিতৃক উদ্ধাৰ কৰিছিল।

**৪.০ উপসংহাৰ**

'মনু-সংহিতাত প্ৰতিফলিত পৈত্ৰিক সম্পত্তি বিভাজনৰ স্বৰূপ'— শীৰ্ষক বিষয়টো অধ্যয়ন কৰি পোৱা সিদ্ধান্তকেইটা হ'ল—

- পৈতৃক সম্পত্তি বিভাজনক দায়ভাগ বুলিও কোৱা হয়। বংশ পৰম্পৰা অনুসৰি প্ৰাপ্ত সম্পতিয়ে হ'ল দায়।
- মনু-সংহিতাৰ মতে পিতৃ-মাতৃৰ মৃত্যুৰ পাছতহে পৈতৃক সম্পত্তি ভাগ কৰা ৰীতি আছিল। তদুপৰি পৈতৃক সম্পত্তিৰ ওপৰত জ্যেষ্ঠ সন্তানৰ অধিকাৰ বেছি বুলি মত প্ৰকাশ কৰিছিল।
- শাস্ত্ৰসন্মত পৈতৃক সম্পতি বিভাজনত বিশ ভাগৰ এক অংশ আৰু উত্তম বস্তুবোৰ জ্যেষ্ঠজনে লাভ কৰাৰ উপৰিও পিতৃৰ পিণ্ডদান, পিতৃঋণ, শ্ৰাদ্ধ আদি কৰ্ম কেৱল জ্যেষ্ঠজনৰদ্বাৰা কৰোৱা হৈছিল।
- বৈদিক শিক্ষাত দীক্ষিতসকলক গুৰুত্ব দিছিল। অৰ্থাৎ বৈদিক শিক্ষাৰে শিক্ষিত সমান গুণবিশিষ্ট ককাই-ভাইসকলৰ মাজত জ্যেষ্ঠজনে উত্তম বস্তুবোৰ ল'ব নোৱাৰিছিল।
- পুত্ৰহীন লোকে পুত্ৰিকা প্ৰথা গ্ৰহণ কৰিছিল। পুত্ৰিকাৰ সন্তানে পুত্ৰহীন লোকৰ সম্পত্তি প্ৰাপ্তৰ লগতে তেওঁক পিণ্ডদান কৰিবলগীয়া হৈছিল।

**প্ৰসংগ-পঞ্জী ঃ**

[১] মিতাক্ষৰা হৈছে বিজ্ঞানেশ্বৰে ৰচনা কৰা যাজ্ঞবল্ক্য স্মৃতি বিষয়ক এটা টীকা। আনুমনিক খ্ৰীষ্টপূৰ্ব ১১শ শতিকাত ৰচিত এই টীকাত 'জন্মান্ত উত্তৰাধিকাৰ' সম্পৰ্কে কিছুমান সিদ্ধান্ত সন্নিৱিষ্ট কৰা হৈছে।

[২] দায়ভাগ হৈছে হিন্দুসকলৰ আইন চুক্তিৰ বিষয়ক জিমূতবাহনৰ (Jimutavahana) দ্বাৰা ৰচিত এখন প্ৰাচীন গ্ৰন্থ। বৈদিক কালত পৈতৃক সম্পত্তি বিভাজনৰ ক্ষেত্ৰত এই শব্দটো ব্যৱহাৰ কৰা হৈছিল।

[৩] আলপনা সৰকাৰ ডেকা ঃ *উনবিংশ শতিকাৰ পটভূমিত অসমীয়া নাৰী*, পৃ ১৭, ২০১৬



[৪] প্ৰফুল্ল নাৰায়ণ বৰুৱা (অনু) ঃ *মনু-সংহিতা*, পৃ.২৫০, শ্লোক- ১০৩,

[৫] প্ৰফুল্ল নাৰায়ণ বৰুৱা (অনু) ঃ উল্লিখিত গ্ৰন্থ, পৃ. ২৫০, শ্লোক-১০৬

[৬] প্ৰফুল্ল নাৰায়ণ বৰুৱা (অনু) ঃ উল্লিখিত গ্ৰন্থ, পৃ. ২৫৩, শ্লোক- ১২৭,

**প্ৰসঙ্গ গ্ৰন্থ ঃ**

বৰুৱা, প্ৰফুল্ল নাৰায়ণ (অনু.); *মনুসংহিতা*, ডিব্ৰুগড়, কৌস্তুভ প্ৰকাশন, ২০০৩ চন

# মনুসংহিতাত পৰিৱেশ সচেতনতা আৰু সংৰক্ষণ

**ড° অদিতি বৰুৱা**
সহযোগী অধ্যাপিকা
সংস্কৃত বিভাগ
ডিব্ৰু মহাবিদ্যালয়

ধৰ্মশাস্ত্ৰসমূহৰ ভিতৰত অন্যতম প্ৰধান ধৰ্মশাস্ত্ৰ হ'ল *মনুসংহিতা*। আলবেৰুণীয়ে প্ৰধানকৈ কুৰিখন ধৰ্মশাস্ত্ৰ থকা বুলি উল্লেখ কৰিছে আৰু তাৰ ভিতৰত মনুসংহিতাকে আটাইতকৈ প্ৰাচীন বুলি ধৰা হয়। এই গ্ৰন্থখনক পূৰ্বে *মানৱ-ধৰ্মশাস্ত্ৰ* বুলি কোৱা হৈছিল। *মনুসংহিতা* ইয়াৰ অৰ্বাচীন নাম। মেক্সমূলাৰ, ৱেবাৰ, বুল্হাৰ প্ৰভৃতি লেখকে মানৱ ধৰ্ম শাস্ত্ৰ বুলি অভিহিত এই মনুসংহিতাক কৃষ্ণ যজুৰ্বেদৰ মৈত্ৰায়ণ সংহিতাৰ মানৱ শাখাৰ লগত সম্পৰ্কিত বুলি মত প্ৰকাশ কৰিছে। প্ৰকৃততে মনুৰ নামত বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা শ্লোকসমূহ একত্ৰ কৰিয়েই এই সংহিতাখন প্ৰস্তুত কৰা হৈছে। সেয়ে হ'লেও মানৱ জীৱনৰ সকলো দিশ সাঙুৰি ৰচনা কৰা বাবে সংহিতাসমূহৰ ভিতৰত মনুসংহিতা আটাইতকৈ বেছি জনপ্ৰিয়। ঋক্‌বেদৰ পৰা আৰম্ভ কৰি প্ৰায় সংখ্যক স্মৃতি শাস্ত্ৰতে এই সংহিতাৰ উল্লেখ পোৱা যায়। তৈত্তিৰীয় সংহিতাত লাভ কৰা 'য়দ্বৈ কিঞ্চন মনুৰৱদৎ তৎ ভেষজম্'[১] উক্তিয়ে নিশ্চিতৰূপে মনুসংহিতাৰ গুৰুত্ব বুজাত সহায় কৰে। তদুপৰি বিভিন্ন শাস্ত্ৰত লাভ কৰা 'মনুৰব্ৰবীৎ', 'মনুনা প্ৰোক্তম্' আদি উক্তিয়েও মনুসংহিতাৰ বিষয়সমূহ অবিসম্বাদী বুলি প্ৰমাণ কৰে। মহাকবি কালিদাসে *ৰঘুবংশ* মহাকাব্যত ৰজা দিলীপৰ শাসনকাৰ্যৰ বিষয়ে ক'বলৈ গৈ 'ৰেখামাত্ৰমপি



ক্ষুণ্ণাদামনোৰ্ৰ্বৰ্ত্মনঃ পৰম্। ন ব্যতীয়ুঃ প্ৰজাস্তস্য নিয়ন্তুৰ্নেমিবৃত্তয়ঃ।।' বুলি কৰা উক্তিয়ে কালিদাসৰ লগতে বিভিন্ন সংস্কৃত সাহিত্যত *দেখা পোৱা মনুসংহিতাৰ* প্ৰভাৱৰ কথাকে সূচায়। অৱশ্যে কেৱল ভাৰতবৰ্ষতে নহয়, ভাৰতৰ প্ৰতিৱেশী ৰাজ্যসমূহতো এই গ্ৰন্থৰ প্ৰভাৱ পৰা দেখা যায়। কীথৰ মতে মনুসংহিতা কেৱল নীতি বিষয়ক গ্ৰন্থই নহয়। তাৰ পৰিবৰ্তে এইখন মানুহৰ জীৱন দৰ্শন সম্পৰ্কীয় গ্ৰন্থ আৰু ইয়াত বৃহৎ সংখ্যক মানুহৰ আত্মিক উপলব্ধি নিহিত হৈ আছে।[২] মন কৰিবলগীয়া যে *মনুসংহিতাৰ* প্ৰাচীন সংস্কৰণত কোনোধৰণৰ অধ্যায় বিভাজন নাছিল। বৰ্তমান উপলব্ধ গ্ৰন্থখনত বিভিন্ন বিষয়ৰ বাৰটা অধ্যায় লাভ কৰা যায় যদিও গ্ৰন্থখনৰ প্ৰধান ভাগ চাৰিটা বুলিহে ক'ব পাৰি। সেয়া হৈছে – (১) পৃথিৱীৰ সৃষ্টি, (২) ধৰ্মৰ উৎস, (৩) বৰ্ণাশ্ৰম আৰু কৰ্তব্যাকৰ্তব্য আৰু (৪) কৰ্ম-পুনৰ্জন্ম-শিক্ষা ইত্যাদি। গ্ৰন্থখন শ্লোকৰ ৰূপত ৰচিত আৰু সৰ্বমুঠ ২৬৮৫ সংখ্যক শ্লোক আছে। কোনো কোনো সংস্কৰণত ২৬৯৪ সংখ্যক শ্লোক পোৱা যায়। প্ৰচলন মতে গ্ৰন্থখনৰ প্ৰথম ৫৮ টা শ্লোক মনুৰ আৰু বাকী শ্লোক সমূহ তেখেতৰ শিষ্য ভৃগুৰ নামত উৎসৰ্গীকৃত।

১৭৯৪ চনত ছাৰ উইলিয়াম জনছে প্ৰথম এই গ্ৰন্থখন সংস্কৃতৰ পৰা অনুবাদ কৰে আৰু ইয়াৰ আধাৰতেই বৃটিছ শাসনব্যৱস্থাৰ মাজত ভাৰতীয় আইন ব্যৱস্থাৰ প্ৰচলন কৰে। এই সংহিতাৰ কেইবাটাও ভাষ্য পোৱা গৈছে। তাৰ ভিতৰত আটাইতকৈ প্ৰাচীন ভাষ্যৰ ৰচয়িতা হ'ল মেধাতিথি আৰু তেখেতৰ ভাষ্যৰ নাম *মনুভাষ্য*। আনহাতে *মন্বৰ্থমুক্তাৱলী* কুল্লুকভট্টই ৰচনা কৰা আৰু আজিলৈকে এই ভাষ্যই আটাইতকৈ বেছি অনূদিত আৰু প্ৰামাণিক বুলি পৰিগণিত হৈছে। ইয়াৰ উপৰিও গোবিন্দৰাজৰ *মনুটীকা* আৰু সৰ্বজ্ঞনাৰায়ণৰ *মন্বৰ্থবিবৃতি* আন দুখন উল্লেখযোগ্য ভাষ্য।

*মন কৰিবলগীয়া যে মনুসংহিতাত* লাভ কৰা নাৰীবিদ্বেষ আৰু শূদ্ৰবিদ্বেষৰ বাহিৰে বাকী বিষয়সমূহে মানুহৰ সামাজিক জীৱন-যাপন প্ৰণালীক বিশেষভাৱে গঠন কৰিবলৈ বিচৰা পৰিলক্ষিত হয়। এই গ্ৰন্থৰ মতে সত্য আৰু ধৰ্ম একেই।[৩] গ্ৰন্থখনত সৃষ্টিকাৰ্যৰ পৰা আৰম্ভ কৰি দণ্ডনীতি, কৰ-কাতল, বেপাৰ-বাণিজ্য, বৰ্ণাশ্ৰম ব্যৱস্থা, নাৰীৰ মৰ্যাদা, শিক্ষা আদি বিভিন্ন বিষয়ৰ আলোচনা লাভ কৰা যায়। অৱশ্যে এই আলোচনাত *মনুসংহিতাত* লাভ কৰা পৰিৱেশ সংৰক্ষণৰ বিষয়েহে আলোকপাত কৰিবলৈ বিচৰা হৈছে।

পৰিৱেশ বুলিলে সাধাৰণ অৰ্থত পৃথিৱীত স্বাভাৱিকভাৱে বৰ্তমান, দৃষ্টিগোচৰ হোৱা বা নোহোৱা জীৱ আৰু জড়ৰ সমষ্টিকেই বুজা যায়। এই বিষয়টোৱে যে প্ৰাচীন কালতো মনীষীসকলক চিন্তা-চৰ্চা কৰিবলৈ বাধ্য কৰাইছিল সেই কথাৰ প্ৰমাণ পোৱা যায় বৈদিক সাহিত্যতো।[৪] ইয়াত মন্ত্ৰদ্ৰষ্টা ঋষিয়ে বতাহ, জলধাৰা, ওষধি, ভূমি এই সকলোবোৰেই মধুৰ অৰ্থাৎ নিৰ্মল হ'বলৈ কামনা কৰা দেখা যায়। এই কথাই বৈদিক যুগতো যে মানুহ পৰিৱেশ সম্পৰ্কে সচেতন আছিল সেই কথাৰ উমান পোৱা যায়। *মনুসংহিতা* বা *মনুস্মৃতি*ও ইয়াৰ ব্যতিক্ৰম নহয় বুলি একে আষাৰে ক'ব পাৰি। মন কৰিবলগীয়া যে এই বিষয়টো গ্ৰন্থখনত স্পষ্টৰূপত প্ৰকাশ নাপালেও বিভিন্ন দণ্ডনীতিৰ মাধ্যমেৰে এই বিষয়টো প্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়।

পশু পৰিৱেশৰ অন্য এক প্ৰধান উপাদান। সেয়ে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত পশুৰো অৰিহণা আছে। পশু হত্যাৰ ফলত পৰিৱেশত হ'ব পৰা বিপৰীত প্ৰতিক্ৰিয়াৰ বিষয়ে সংহিতাকাৰ যে অৱগত আছিল সেই কথা *মনুসংহিতাৰ* পঞ্চম অধ্যায়ত অতি সুন্দৰকৈ পৰিস্ফুট হৈছে। *মনুসংহিতাৰ* এই বিশেষ অধ্যায়ত সেইবাবে পশুবধৰ অনুমতি দিওঁতা, পশু হত্যা কৰোঁতা, মাংস ৰান্ধোতা, পৰিৱেশন কৰোঁতা আৰু খাওঁতা এই সকলোকেই ঘাতক বুলি অভিহিত কৰিছে।[৫] পশু হত্যা ৰোধ কৰাৰ উদ্দেশ্যেৰে মানুহৰ মনস্তত্ত্বত ক্ৰিয়া কৰাকৈ এই সংহিতাই এই বুলি মত প্ৰকাশ কৰিছে যে খাদ্য হিচাপে যি পশুক ইহলোকত গ্ৰহণ কৰা হয়, সেই পশুৱে পৰলোকত তেওঁক অৰ্থাৎ ভক্ষণকাৰীক ভক্ষণ কৰে। এই সংহিতাৰ মতে মাংস ভোজন ত্যাগ কৰাৰ ফলত লাভ কৰা পুণ্য পৱিত্ৰ ফলমূল বা নিৰামিষ ভোজনৰ ফলতো লাভ নহয়।[৬] কাৰণ মাংসভোজন ৰাক্ষসোচিত কাৰ্য।[৭] জীৱহত্যা কৰোঁতাজনে জীৱিত কালতেই হওক বা মৃত্যুৰ পিচতেই হওক ক'তো সুখ নাপায়। প্ৰাণী বধ নকৰাজনেইহে সংসাৰত সুখ লাভ কৰিবলৈ সমৰ্থ হয় বুলি এই গ্ৰন্থই কৈ গৈছে।[৮] পৰিৱেশৰ অন্য প্ৰধান উপাদান এই জীৱ-জন্তু সংৰক্ষণৰ বাবে *মনুসংহিতাই* প্ৰত্যক্ষভাৱে একো নক'লেও বিভিন্ন প্ৰাণীৰ হত্যাৰ বাবে নিৰ্দিষ্ট প্ৰায়শ্চিত্ত বিধানৰ দ্বাৰা এই কাৰ্যকে কৰিবলৈ চেষ্টা কৰিছে। মেকুৰী, নেউল, চৰাই, ভেকুলী, কুকুৰ, গুঁই, ফেঁচা, কাউৰী, সাপ, গাহৰি, হাঁহ, বগলী, ম'ৰা, বান্দৰ, চিলনী, গৰু, ঘোঁৰা, ছাগলী, ভেড়া, বাঘ, হৰিণ, জেঠী, উৰহ আদি



বিভিন্ন জীৱৰ হত্যাৰ বাবে এই গ্ৰন্থই ভিন ভিন প্ৰায়শ্চিত্ত বিধান কৰিছে। উদাহৰণ স্বৰূপে মেকুৰী বধ কৰাজনে তিনিৰাতি গাখীৰ খাব লাগিব, অথবা চাৰি ক্ৰোশ খোজ কাঢ়িব লাগিব, অথবা নদীত গা ধুব লাগিব অথবা 'অপোহিষ্ঠা...' ইত্যাদি মন্ত্ৰ পাঠ কৰিব লাগিব। আজিৰ পৰিবৰ্তনশীল যুগত এনেধৰণৰ প্ৰায়শ্চিত্ত বিধান অচল যদিও সংহিতাৰ যুগত জীৱ হত্যা ৰোধ কৰাৰ ক্ষেত্ৰত এনেবোৰ বিধিয়ে নিশ্চিতৰূপে পৰিৱেশ সংৰক্ষণ কৰাত সহায় কৰিছিল বুলি ক'ব পাৰি।

পৰিৱেশৰ অন্য এক প্ৰধান উপাদান পানীয়েও *মনুসংহিতাত* এক বিশেষ স্থান লাভ কৰিছে। এই সংহিতাৰ নৱম অধ্যায়ত খেতি-পথাৰত দিবৰ বাবে বা মানুহে গা-কাপোৰ ধোৱাৰ বাবে খন্দা পুখুৰীৰ পানী চুৰ কৰোঁতাজনক ৰজাই দণ্ড বিহাৰ উল্লেখ পোৱা যায়।[৯] তদুপৰি পানীৰ গতি বন্ধ কৰা কাৰ্যক *মনুসংহিতাই* পাপ বুলি অভিহিত কৰিছে। এই গ্ৰন্থৰ একাদশ অধ্যায়ত পোৱা যায় যে ৰজাৰ আজ্ঞাত যন্ত্ৰাদিৰ দ্বাৰা পানী বন্ধ কৰা কাৰ্য পাপ।[১০] কৃত্ৰিমভাৱে পানীৰ গতি বন্ধ কৰা কাৰ্যক 'মহাযন্ত্ৰপ্ৰৱৰ্তনম্' শব্দটিৰ দ্বাৰা বুজোৱা যেন ভাৱ হয়। বৰ্তমান আধুনিক প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰৰ দ্বাৰা কৃত্ৰিম ভাৱে বিভিন্ন নদীৰ স্বাভাৱিক গতিপথ বন্ধ কৰা হৈছে আৰু বৃহৎ বান্ধ নিৰ্মাণৰ দ্বাৰা বিদ্যুৎ উৎপাদন কৰি দেশৰ প্ৰগতি নিৰ্মান কৰিবলৈ বিচৰা হৈছে। কিন্তু তাৰ ফলত কোনো ঠাইত হঠাতে অকাল বানপানী বা কোনো ঠাই মৰুভূমি সদৃশ স্থানলৈ পৰিবৰ্তন হোৱাটোও আমাৰ সকলোৰে জ্ঞাত। উন্নতি প্ৰয়োজনীয় হ'লেও তাৰ দ্বাৰা প্ৰকৃতিৰ ক্ষতি সাধনো নিশ্চয় কাৰো কাম্য নহয়। তেনে স্থলত প্ৰকৃতিৰ স্বাভাৱিক পৰিৱেশ নষ্ট নহ'বৰ বাবেই যে *মনুসংহিতাই* এনে ধৰণৰ মন্তব্য কৰিছিল সেই কথা স্পষ্টৰূপে বুজিব পৰা যায়। আকৌ জলাশয় অৰ্থাৎ পুখুৰী, কুঁৱা আদিত স্নান কৰাৰ ক্ষেত্ৰটো এই সংহিতাই নিষেধাজ্ঞা প্ৰদান কৰি গৈছে। তেনে কাম কৰোঁতাজন পাপত পতিত হয় বুলি এই গ্ৰন্থই মত প্ৰকাশ কৰিছে।[১১] কাৰণ এনে কৰাৰ ফলত জলাশয়ৰ পানী দূষিত হয়। তাৰ পৰিবৰ্তে সমুদ্ৰগামী নদী, সৰোবৰ, চাৰিক্ৰোশ বিয়পি থকা গাঁত অথবা নিজৰাত স্নান কৰাৰ বিধিহে নিৰূপণ কৰিছে এই গ্ৰন্থই। বোৱতী পানীত দূষিত পদাৰ্থ থকাৰ সম্ভাৱনা কম বাবেই যে এনে বিধান দিয়া হৈছিল সেই কথা সহজে বুজিব পাৰি। পানীত মল-

মূত্ৰ, থু-খেকাৰ অথবা অপৱিত্ৰ যি কোনো বস্তু, তেজ আৰু বিষাক্ত পদাৰ্থ আদি নিক্ষেপ কৰাৰ ক্ষেত্ৰতো এই সংহিতাই নিষেধ আৰোপ কৰি গৈছে।[১২] এনেদৰে দেখা যায় যে এই গ্ৰন্থই দূষিত কৰিব পৰা পদাৰ্থসমূহ পানীত বৰ্জন কৰাৰ ক্ষেত্ৰত বাধা দিয়াৰ দ্বাৰাই জল প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত থকা সেই সময়ৰ সচেতন দৃষ্টিভঙ্গীৰ সম্পৰ্কে সূচনা দিয়ে।

গছ-গছনিয়ে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত পালন কৰা ভূমিকা সাম্প্ৰতিক কালত সকলোৰে জ্ঞাত। সংহিতাৰ যুগতো গছ-গছনি কটা কাৰ্য পাপ বুলি গণ্য কৰা হৈছিল। আমাৰ আলোচ্য গ্ৰন্থত ইন্ধনৰ বাবে কেঁচা গছ কটা কাৰ্যক মহাপাপৰ শাৰীত থোৱা দেখিবলৈ পোৱা যায়।[১৩] তদুপৰি ফল লগা আম, জাম আদি গছ, লতা, বেল আদি গছ কাটিলে এশ সাৱিত্ৰী জপ কৰিলেহে শুদ্ধ হোৱাৰ কথা এই গ্ৰন্থই কৈছে। কেৱল সেয়াই নহয় খেতি পথাৰত বা বনত নিজে নিজে উৎপন্ন হোৱা গছ-গছনিও বিনা কাৰণত নষ্ট কৰিলে তাৰো প্ৰায়শ্চিত্ত বিধান এই সংহিতাই কৰি গৈছে।[১৪] সাম্প্ৰতিক কালত সাৱিত্ৰী জপ কৰা বা পাপ খণ্ডনৰ বাবে সম্পূৰ্ণ এটা দিন গৰুক অনুগমন কৰা কাৰ্য হয়তো হাস্যাস্পদ। কিন্তু তাৰ অন্তৰ্নিহিত তত্ত্ব যে প্ৰকৃততে গছ-গছনি সংৰক্ষণ তাত সন্দেহ নাই।

স্বচ্ছতা হৈছে পৰিৱেশ সংৰক্ষণৰ প্ৰধান উপায়। সাম্প্ৰতিক কালত চৰকাৰ বা বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ দ্বাৰা জনসাধাৰণক সচেতন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। মন কৰিবলগীয়া যে সংহিতাৰ যুগতো এই সম্পৰ্কে মানুহ সচেতন আছিল আৰু *মনুসংহিতাত* লাভ কৰা বিষয়সমূহে এই কথাৰ সাক্ষ্য ডাঙি ধৰে। যেনে নিৰোগী মানুহে ৰাজপথত মলমূত্ৰ ত্যাগ কৰিলে ৰজাই তেওঁলোকক দুই কাৰ্ষাপণেৰে দণ্ড বিহাৰ উপৰিও তেওঁলোকৰ হতুৱাই সেইবিলাক পৰিষ্কাৰ কৰোৱাবলৈকো নিৰ্দেশনা দিছে এই সংহিতাই।[১৫] অৱশ্যে এই ক্ষেত্ৰত ৰোগী, বৃদ্ধ, গৰ্ভৱতী অথবা শিশুক ভৱিষ্যতে এনে কাৰ্য নকৰিবৰ বাবে সঁকিয়নি দি ৰেহাই দিয়াৰো নিৰ্দেশনা পোৱা যায়।[১৬] উল্লেখযোগ্য যে মল-মূত্ৰ ত্যাগ কৰাৰ ক্ষেত্ৰতো এইখন সংহিতাই কেতবোৰ নিষেধাজ্ঞা প্ৰদান কৰি গৈছে। যেনে পথৰ মাজত, ছাঁইৰ ওপৰত আৰু গোহালীত কেতিয়াও মল-মূত্ৰ ত্যাগ কৰিব নালাগে।[১৭] তদুপৰি নাঙলৰ ফালেৰে হাল বোৱা মাটিত, পানীত, শ্মশানত, পৰ্বতত, জীৰ্ণ দেৱালয়ত,



উঁই হাফলুৰ ওপৰত, এন্দুৰ-সাপ আদিৰ গাঁতত, খোজ কাঢ়োঁতে, থিয় হৈ থাকোঁতে, নদীৰ পাৰত অথবা পৰ্বতৰ টিঙতো মল-মূত্ৰ ত্যাগ নকৰিবলৈ *মনুসংহিতাই* নিৰ্দেশনা দিছে।[১৮] এই নিষেধাজ্ঞাসমূহৰ দ্বাৰা পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত থকা সচেতনতাৰ কথাকেই আঙুলীয়াই দিয়া বুলি নিশ্চিতভাৱে ক'ব পাৰি।

পৰিৱেশ সংৰক্ষণৰ কথা আলোচনা কৰোঁতে আহি পৰা আন এটা বিশেষ দিশ হ'ল শব্দ প্ৰদূষণ। শব্দ প্ৰদূষণেও পৰিৱেশ দূষিত কৰি তোলে। *মনুসংহিতাই* এই ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ নকৰাকৈ থকা নাই। অশাস্ত্ৰীয় নৃত্য-গীত-বাদ্য আদি বজোৱা, হাতৰ তলুৱাৰে দুই বাহুত বিকৃত শব্দ কৰা, দাঁতেৰে শব্দ কৰা অথবা গাধ-ঘোঁৰা আদিৰ দৰে মাত উলিওৱাৰ ফলত পৰিৱেশ দূষিত হয়। উপৰোক্ত এনে কাৰ্যসমূহ কৰাৰ ক্ষেত্ৰত *মনুসংহিতাই* নিষেধাজ্ঞা প্ৰদান কৰিছে আৰু এনেদৰে শব্দ প্ৰদূষণ ৰোধ কৰি পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰিছে।[১৯]

আজিৰ প্ৰযুক্তিবিদ্যাৰ যুগত সৰ্বাধিক চৰ্চিত বিষয় হৈছে পৰিৱেশ সচেতনতা আৰু সংৰক্ষণ। সম্প্ৰতি বিজ্ঞানী আৰু সমাজ সচেতকসকলে সকলো সময়তে ভূমি প্ৰদূষণ, জল প্ৰদূষণ, বায়ু প্ৰদূষণ অথবা শব্দ প্ৰদূষণৰ বিষয়ে জন সাধাৰণক সচেতন কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। চৰকাৰীভাৱেও এই ক্ষেত্ৰত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এনে সময়ত যদি আমি খ্ৰীঃ পূঃ দ্বিতীয় শতিকাতে ৰচিত হোৱা এই গ্ৰন্থখনলৈ চাওঁ তেনেহ'লে দেখা পাম যে প্ৰাচীন মানৱ সমাজ এইক্ষেত্ৰত যথেষ্ট আগবঢ়া আছিল। সেই সময়ৰ চিন্তাধাৰাসমূহৰ লগত ধৰ্মীয় দিশটো সোমাই থকাৰ বাবেই তাক আওপুৰণি বুলি দলিয়াই পেলাব নোৱাৰি। বৈদিক বা তাৰ পৰৱৰ্তী যুগত প্ৰধানকৈ ব্ৰাহ্মণ বা ক্ষত্ৰিয়সকলেহে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল। তেনেস্থলত সাধাৰণ মানুহক এনেধৰণৰ পৰিৱেশ সম্পৰ্কীয় বিষয়সমূহ বুজাবৰ বাবে ধৰ্মৰ আওতা লোৱাৰ বাদে উপায় নাছিল বুলি সহজে বুজিব পৰা যায়। এই সংহিতাত লাভ কৰা পৰিৱেশ সম্পৰ্কীয় নীতিসমূহৰ পৰা ধৰ্মীয় নীতিসমূহ একাষৰীয়া কৰিলে সেইসমূহৰ মাজত থকা বৈজ্ঞানিক দৃষ্টিভঙ্গী সহজে চকুত পৰে। গতিকে দেখা যায় যে পৰিৱেশ সচেতনতাৰ ক্ষেত্ৰত খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাতে ৰচিত হোৱা *মনুসংহিতা*ৰ প্ৰাসঙ্গিকতা

অবচীন কালতো একে দৰে আছে, বৰং বৃদ্ধি হোৱা বুলিহে ক'ব পাৰি।○

**প্ৰসঙ্গ-পঞ্জী ঃ**

(১) তৈত্তিৰীয় সংহিতা, ১১-২-১০-২

(২) The Cultural Heritage of India, Vol. ii, page 363

(৩) সত্যং ব্ৰূয়াৎ প্ৰিয়ং ব্ৰূয়াৎ ন ব্ৰূয়াৎ সত্যমপ্ৰিয়ম্। প্ৰিয়ং চ নানৃতং ব্ৰূয়াৎ এষ ধৰ্মঃ সনাতনঃ।। মনু, ৪-১৩৮

(৪) মধুৱাতা ঋতায়তে মধুক্ষৰন্তি সিন্ধৱঃ, ঋগ্বেদ ১-৯০-৬-৮, বৃহদাৰণ্যক ৬-৩-৬

(৫) অনুমন্তা ৱিশসিতা নিহন্তা ক্ৰয়বিক্ৰয়ী। সংস্কৰ্তা চোপহৰ্তা চ খাদকশ্চেতিঘাতকাঃ।। মনু, ৫-৫১

(৬) ন তং ফলমৱাপ্নোতি য়ন্মাংসপৰিৱৰ্জনাৎ।। মনু, ৫-৫৪

(৭) প্ৰবৃত্তিস্তু ৰাক্ষসো বিধিৰুচ্যতে।। মনু, ৫-৩১

(৮) য়ো বন্ধনৱধক্লেশান্ প্ৰাণীনাং ন চিকীৰ্ষতি। স সৰ্বস্য হিতপ্ৰেপ্সুঃ সুখমত্যন্তমশ্নুতে।। মনু, ৫-৪৬

(৯) য়স্তু পূৰ্বনিৱিষ্টস্য তড়াগস্যোদকং হৰেৎ। আগমং ৱাপ্যপাং ভিন্দাৎ স দাপ্যঃ পূৰ্বসাহসম্।। মনু, ৯-২৮১)

(১০) সৰ্বাকৰেষ্বধীকাৰো মহাযন্ত্ৰপ্ৰৱৰ্তনম্। মনু, ১১-৬৪

(১১) পৰকীয়নিপানেষু ন স্নায়াচ্চ কদাচন। নিপানকৰ্তুঃ স্নাত্বা তু দুষ্কৃতাংশেন লিপ্যতে।। মনু, ৪-২০১

(১২) নাপ্সু মূত্ৰং পুৰীষং ৱা ষ্ঠীৱনং ৱা সমুৎসৃজেৎ। অমেধ্যলিপ্তমন্যদ্বা লোহিতং ৱা ৱিষাণি ৱা।। মনু, ৪-৫৬

(১৩) ইন্ধনাৰ্থমশুষ্কাণাং দ্ৰুমাণামৱপাতনম্। মনু, ১১-৬৫

(১৪) কৃষ্ণজানামোষধীনাং জাতানাঞ্চ স্বয়ং ৱনে। বৃথালেম্ভঽনুগচ্ছেদগাং দিনমেকাং পয়োব্ৰতঃ।। মনু, ১১-১৪৫

(১৫) সমুৎসৃজেদ্ৰাজমাৰ্গে য়স্ত্বমেধ্যমনাপদি। স দ্বৌ কাৰ্যাপণৌ দদ্যাদমেধ্যঞ্চাশু শোধয়েৎ।। মনু, ৯-২৮২

(১৬) আপদ্গতোঽথবা বৃদ্ধো গৰ্ভিণী বাল এৱ বা। পৰিভাষণমৰ্হন্তি তচ্চ শোধ্যমিতি স্থিতিঃ।। মনু, ৯-২৮৩

(১৭) ন মূত্ৰং পথি কুৰ্বীত ন ভস্মনি ন গোব্ৰজে।। মনু, ৪-৪৫



(১৮) ন ফালকৃষ্টে ন জলে ন চিত্যাং ন চ পৰ্বতে। ন জীৰ্ণদেৱায়তনে ন ৱল্মীকে কদাচন।। ন সসত্ত্বেষু গৰ্তেষু ন গচ্ছন্নাপি চ

স্থিতঃ। ন নদীতীৰমাসাদ্য ন চ পৰ্বতমস্তকে।। মনু, ৪-৪৬,৪৭

(১৯) ন নৃত্যেদথবা গায়েন্ন ৱাদিত্ৰাদি ৱাদয়েৎ। নাস্ফোটয়েন্ন চ ক্ষ্বেড়েন্ন চ ৰক্তো ৱিৰাৱয়েৎ।। মনু, ৪-৬৪

**প্ৰসঙ্গ গ্ৰন্থ ঃ**

(১) শৰ্মা কিৰণ, মনুসংহিতা, অসম বেদ বিদ্যালয়, গুৱাহাটী, ১৯৯৮

(২) দাস শাস্ত্ৰী মুৰাৰীমোহন, মনুসংহিতা, দীপালী বুক হাউস, কলিকতা, ১৯৮৫

(৩) The Cultural Heritage of India, Vol. ii, The Ramakrishna Mission Institute of Culture, Kolkata, 2005.

# সুভাষিত

(১)

প্ৰাৰভ্যতে ন খলু বিঘ্নভয়েন নীচৈঃ
প্ৰাৰভ্য বিঘ্নবিহতা বিৰমন্তি মধ্যাঃ।
বিঘ্নৈঃ পুনঃ পুনৰপি প্ৰতিহন্যমানাঃ
প্ৰাৰব্ধমুত্তমজনা ন পৰিত্যজন্তি।।

অৰ্থ—এই পৃথিৱীত তিনি প্ৰকাৰৰ মানুহ আছে। ইয়াৰে যিসকল নীচ বা অধম তেওঁলোকে বিঘিনিৰ ভয়ত কোনো কাম আৰম্ভ নকৰে। যিসকল মধ্যম শ্ৰেণীৰ লোক তেওঁলোকে কাম আৰম্ভ কৰিও বাধাপ্ৰাপ্ত হোৱা বাবে মাজতে এৰি দিয়ে। কিন্তু যিসকল উত্তম শ্ৰেণীৰ লোক তেওঁলোকে বিঘিনিয়ে বাৰে বাৰে বাধা দিলেও হাতত লোৱা কাম পৰিত্যাগ নকৰে।।

(২)

বিপদি ধৈৰ্যমথাভ্যুদয়ে ক্ষমা সদসি বাক্পটুতা যুধি বিক্ৰমঃ।
য়শসি চাভিৰুচিৰ্ব্যসনং শ্ৰুতৌ প্ৰকৃতিসিদ্ধমিদং হি মহাত্মনাম্।।

অৰ্থ— বিপদত ধৈৰ্য, সম্পদত সহিষ্ণুতা, ৰাজসভা বা বিদ্বৎ জনৰ সভাত বাক্পটুতা, যুদ্ধত পৰাক্ৰম, যশস্যাৰ প্ৰতি আদৰ, বেদাদি শাস্ত্ৰৰ প্ৰতি আসক্তিয়ে হৈছে এজন মহাপুৰুষৰ গুণ।

(৩)

পাপান্নিবাৰয়তি য়োজয়তে হিতায়
গুহ্যং নিগূহতি গুণান্ প্ৰকটীকৰোতি।
আপদ্গতং চ ন জহাতি দদাতি কালে
সন্মিত্ৰলক্ষণমিদং প্ৰৱদন্তি সন্তঃ।।

অৰ্থ— ভাল বন্ধুৱে বেয়া কাম কৰিবলৈ বাধা দিয়ে, কল্যাণকাৰী কামত নিয়োগ কৰে, গোপন কথা লুকুৱাই থয়, গুণ প্ৰকাশ কৰে, বিপদৰ সময়ত এৰি নিদিয়ে আৰু সময়ত সহায় কৰে। অৰ্থাৎ সেইজনহে সৎ বা ভাল বন্ধু যি সততে বন্ধুৰ কল্যাণ কামনা কৰে।



ডিব্ৰু কলেজত সংস্কৃত দিৱস উদ্‌যাপন

# অনেক জনজাতীয় শব্দৰ স'তে সংস্কৃত ভাষাৰ শব্দৰ মিল আছে ঃ অধ্যাপক ড° ভীমকান্ত বৰুৱা

ডিব্ৰুগড় [illegible] ।অসমীয়া ভাষালৈ যথেষ্ট পৰিবৰ্তন আহিছে। এই পৰিবৰ্তনৰ মাজতেই অসমীয়া ভাষা জীয়াই থাকিব। ইয়াৰ লগতে অসমীয়া ভাষাৰ আত্মা 'সংস্কৃত ভাষা'ও জীয়াই থাকিব। এই বক্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক তথা বিশিষ্ট ভাষাতত্ত্ববিদ ড০ ভীমকান্ত বৰুৱাৰ। বিগত বৰ্ষৰ দৰে এইবাৰো ডিব্ৰুগড় চহৰৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান ডিব্ৰু কলেজৰ সংস্কৃত বিভাগৰ উদ্যোগত যোৱা ১০ ছেপ্টেম্বৰত উদ্‌যাপিত সংস্কৃত দিৱস উপলক্ষে [illegible] পূৰ্বৰ শব্দ। বাক্যসমূহত অবাহত আছে আৰু থাকিব। [illegible] ভাষাটোৰ সম্পৰ্কে বিস্তৃতভাৱে আলোকপাত কৰি ড০

আয়োজিত 'অসমীয়া ভাষাত সংস্কৃত শব্দৰ প্ৰভাৱ আৰু প্ৰয়োগ' শীৰ্ষক বিষয়ত ভাষণ প্ৰদান কৰি ড০ বৰুৱাই কয় যে ভাষা হৈছে জ্ঞানৰ ভৰাল। ই নাইকিয়া হৈ গ'লেই জ্ঞানৰ ভৰাল নাইকিয়া হৈ যায়। পূৰ্বতে বিদ্যালয় পৰ্যায়ত ভাষাটো পঢ়াৰ সুবিধা আছিল যদিও সম্প্ৰতি ইয়াৰ প্ৰতি চৰকাৰে গুৰুত্ব প্ৰদান নকৰাৰ বাবে ভাৰতীয় ভাষাসমূহৰ মূল ভাষা 'সংস্কৃত ভাষা'ৰ সম্পৰ্কে বৰ্তমানৰ প্ৰজন্ম জ্ঞাত নহয়। তথাপিও এই মূল ভাষাটোৰ ভুৰ অসমীয়াকে ধৰি ভাৰতীয় (শেষ পৃষ্ঠাত)।

অদিতি বৰুৱাৰ দ্বাৰা সম্পাদিত 'সংস্কৃত-সংস্কৃতি' নামৰ আই.এছ.এছ.এন নম্বৰ সম্বলিত মুখপত্ৰখনিৰ দশম সংখ্যা

# Sanskrit Divas observed in Dibru College

STAFF CORRESPONDENT

DIBRUGARH, Sept 11: The Sanskrit Department of Dibru College observed the Sanskrit Divas on its premises here. The programme was inaugurated by Dr Poresh Barua, principal of the college.

Chief guest Dr Bhim Kanta Baruah highlighted the influence of Sanskrit words on the Assamese language. He said that knowledge and information is derived from language, and that the assimilation of different languages is a continuous process. The principal of the college appreciated the efforts of the Sanskrit Department to promote the language among the students.

Professor Madhumita Borthakur spoke on the need to spread awareness about the Sanskrit language and the concept of modernity in the language. The department also released the tenth edition of the departmental magazine, *Sanskrita Sanskriti*. A cultural programme was also organised by the students and professors. Past pupils, who secured first class and letter marks from the college were also felicitated. The vote of thanks was offered by Dr Aditi Baruah.

**ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ ২০১৬ বৰ্ষৰ সংস্কৃত দিৱসৰ বাতৰিৰ একাংশ**

# ডিব্ৰু কলেজত সংস্কৃত দিৱস উদ্‌যাপন

[illegible] ডিব্ৰুগড়, ১১ ছেপ্টেম্বৰ ঃ [illegible] যথেষ্ট পৰিবৰ্তন আহিছে। [illegible] মাজেৰেই অসমীয়া ভাষা [illegible]। ইয়াৰ লগতে অসমীয়া [illegible] 'সংস্কৃত ভাষা'ও জীয়াই [illegible] এই বক্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ [illegible] বিভাগৰ প্ৰাধ্যাপক তথা বিশিষ্ট [illegible] ড০ ভীমকান্ত বৰুৱাৰ। বিগত [illegible] দৰে এইবাৰো ডিব্ৰুগড় চহৰৰ অন্যতম [illegible] শিক্ষাৰ অনুষ্ঠান ডিব্ৰু কলেজৰ সংস্কৃত [illegible] উদ্যোগত ১০ ছেপ্টেম্বৰত [illegible] সংস্কৃত দিৱস উপলক্ষে [illegible] 'অসমীয়া ভাষাত সংস্কৃত শব্দৰ [illegible] আৰু প্ৰয়োগ' শীৰ্ষক বিষয়ত ভাষণ [illegible] বৰুৱাই কয় যে ভাষা হৈছে জ্ঞানৰ [illegible]। ই নাইকিয়া হৈ গ'লেই জ্ঞানৰ ভঁৰাল [illegible] হৈ যায়। পূৰ্বতে বিদ্যালয় পৰ্যায়ত [illegible] পঢ়াৰ সুবিধা আছিল যদিও সম্প্ৰতি [illegible] প্ৰতি চৰকাৰে গুৰুত্ব প্ৰদান নকৰাৰ বাবে

ভাৰতীয় ভাষাসমূহৰ মূল [illegible] সম্পৰ্কে বৰ্তমানৰ প্ৰজন্ম [illegible] এই মূল ভাষাটো অসমীয়াকে ধৰি [illegible] ভাষাসমূহত অবাহত [illegible] বিষয়টো সম্পৰ্কে বিস্তৃতভাৱে আলোকপাত কৰি ড০ বৰুৱাই কয় যে অসমীয়া ভাষা [illegible] সংস্কৃত ভাষাৰ পৰা উদ্ভূত [illegible] অনেক সংস্কৃত শব্দ অসমীয়া ভাষাত বিদ্যমান। তদুপৰি অসমীয়া ভাষাটো [illegible] অনেক জনজাতীয় শব্দৰ স'তে সংস্কৃত ভাষাৰ শব্দৰ মিল আছে। [illegible] বিভিন্ন উদাহৰণ [illegible] এখনেই 'সংস্কৃত ভাষা'ক [illegible] অভিহিত কৰা কাৰ্যত [illegible] ভাষাতত্ত্ববিদসকলে [illegible] ভাষাৰ জীৱন আৰু [illegible] কাৰণ। [illegible] অসমীয়া ভাষাটো সকলোৱে [illegible] বেজৰ ওপৰত [illegible] কৰা যে সম্প্ৰতি অসমৰ [illegible]

[illegible]

সংস্কৃত ভাষাত [illegible] এটি জ্যোতি [illegible] পৰিৱেশনেৰে। সংস্কৃত ভাষাৰ [illegible] ছাত্ৰীসকলৰ গীত পৰিৱেশন, [illegible] জ্যোতি সংগীত [illegible] বিজ্ঞান ছাত্ৰ [illegible] সংস্কৃত ভাষাত [illegible] শীৰ্ষক কবিতা [illegible] নৃত্যানুষ্ঠান [illegible] সকলোৰে [illegible] হৈ। উক্ত অনুষ্ঠানতে ২০১৫ আৰু ২০১৬ বৰ্ষত কৃতিত্বৰে উত্তীৰ্ণ হোৱা কলেজখনৰ [illegible] বিভাগীয় ছাত্ৰী [illegible] আৰু [illegible] উপহাৰেৰে সম্বৰ্ধনা [illegible] কৰা হয়। অনুষ্ঠানত কলেজখনৰ শিক্ষক [illegible] সমস্যাসকলৰ লগতে [illegible] শিক্ষক-শিক্ষয়িত্ৰী আৰু কলেজখনৰ [illegible] বিভাগীয় ছাত্ৰ-ছাত্ৰীসকল আৰু [illegible] কেইবাজনো কলেজৰ সংস্কৃত বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।